EFERENCE

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

**FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

## VOL. I

## No. 13

**The 26th May 1978**

1981

PRINTED AT THE ASSAM GOVERNMENT PRESS, GAUHATI

REFERENCE
(Not for Issue)

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

(Budget Session)

Vol. I

No. 13

The 26th May, 1978

---

CONTENTS



| | Pages |
|---|---|
| 1. Question ... ... ... .. ... | 581—602 |
| 2. Notice of Breach of Privilege ... ... ... | 602—607 |
| 3. Miscellaneous ... ... .. ... | 607—610 |
| 4. Calling Attention Notice ... .. ... ... | 611—612 |
| 5. Resolution ... ... ... ... | 612—621 |
| 6. Adjournment ... ... .. .. | 621 |

Proceeding of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereig Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Friday, the 26th May, 1978 with the Hon. Speaker in the Chair, 12 (twelve) Ministers, 4 (four) Ministers, of State, 3 three) Parliamentary Secretries and 89 (eightynine) members present.

## QUESTIONS

### বি ঃ তেজপুৰ জেইল

*২২। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰ জেইলত বন্দী সকলক উৎপাদনশীল কামত লগোৱাৰ কিবা ব্যৱস্হা আছেনে ?

(খ) যদি আছে, এনে উৎপাদনৰ বছৰেকীয়া বজাৰ মূল্য কিমান হবগৈ ?

(গ) এনে উৎপাদিত সামগ্ৰীৰ বজাৰ ক'ত ক'ত আছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (কাৰাগাৰ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২২। (ক)—হয়, আছে। তেজপুৰ কাৰাগাৰৰ বন্দী সকলক তেওঁলোকৰ ৰুচি অনুযায়ী বিভিন্ন ধৰণৰ উৎপাদনশীল কামত লগোৱাৰব্যৱস্হা কৰা হৈছে আৰু তাৰ জৰিয়তে কাৰাগাৰ শিল্প গঢ়ি তোলা হৈছে। এই কাৰাগাৰ শিল্পৰ ভিতৰত তাঁত শিল্প বাঁহ-বেতৰ কাম, কাঠৰ কাম, দৰ্জ্জিৰ কাম, কমাৰশাল, ৰং কৰা কাম আৰু বিভিন্ন ধৰণৰ খেতি-বাতি উল্লেখযোগ্য।

(খ)—তেজপুৰ জেলৰ কাৰাগাৰ শিল্পৰ পৰা মুঠতে একলাখ মান টকা আয় হয়।

(গ)—কাৰাগাৰ তৈয়াৰী হোৱা বাঁহ-বেতৰ সামগ্ৰী কাৰাগাৰ সমূহত থকা বিক্ৰি কেন্দ্ৰৰ জৰিয়তে বিক্ৰি কৰাৰ বাহিৰেও বিভিন্ন অনুষ্ঠানৰ জৰিয়তে দেশৰ নানা ঠাইলৈ পঠোৱা হয় আৰু বিদেশলৈ চালান দিয়া ব্যৱস্হা আছে। এই শিল্পৰ বাহিৰে অন্য শিল্পৰ দ্বাৰা প্ৰস্তুত হোৱা সামগ্ৰী কাৰাগাৰ সমূহত যোগান ধৰা হয় আৰু অতিৰিক্তখিনি স্হানীয় বজাৰত বিক্ৰি কৰাৰ ব্যৱস্হা ৰখা হৈছে। তেজপুৰ কাৰাগাৰত তাঁত শিল্পৰ জৰিয়তে প্ৰস্তুত হোৱা কাপোৰেৰে অসমৰ সমগ্ৰ কাৰাবন্দীৰ কাপোৰৰ যোগান ধৰা হয়।

শ্ৰীগোলোক ৰাজবংশী ঃ এই কাম বিলাক কৰিবৰ কাৰণে তাত প্ৰশিক্ষক ৰখাৰ ব্যৱস্হা আছেনে কি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ হয় আছে।

শ্ৰীগোলোক ৰাজবংশী : তেখেত সকলক স্থায়ী ভাবে ৰখা হৈছে নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : পাৰ্ট টাইম প্ৰশিক্ষক হিচাবে ৰখা হৈছে।

শ্ৰীগোলোক ৰাজবংশী : যিহেতু এক লাখ টকা উৎপাদন হয় তাত স্থায়ী হিচাবে প্ৰশিক্ষক ৰাখিব নোৱাৰিনে কি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : পাৰি, কিন্তু কথা হৈছে যিসকল কয়দীয়ে তাত বহুত দিন ধৰি কাম কৰি আছে তেওঁলোকেই তাত প্ৰশিক্ষক হিচাবে কাম চলাব পাৰিছে।

শ্ৰীছামচুল হুদা : কাৰাগাৰৰ কয়দী সকলে বাবু সকলৰ ঘৰত ঘৰুৱা কাম কৰিব লগা হোৱাত উৎপাদনশীল কামত ব্যাঘাট হোৱা কথাটো স্বীকাৰ কৰিব নে কি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : আগৰ চৰকাৰৰ দিনত তেনে ধৰণৰ ব্যৱস্থা আছিল, কিন্তু এতিয়া সেই ব্যৱস্থা উঠাই দিবলৈ চেষ্টা কৰা হৈছে ।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী : যিসকল কয়দীয়ে প্ৰশিক্ষকৰ কাম কৰি আছে সেই সকলক বাহিৰৰ পৰা দিয়া প্ৰশিক্ষকৰ সমানেই বেতন দিয়া হৈছেনে কি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মণত্ৰী) স্থানীয় ভাবে যিসকল চৰকাৰী বিষয়া আছে তেঁও-লোকেই প্ৰশিক্ষণ দি আছে ।

শ্ৰীগোলোক ৰাজবংশী : তাত স্থায়ী বিষয়া আছেনে কি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) নাই ।

শ্ৰীগোলক ৰাজবংশী : স্হায়ত বিষয়া ৰখাৰ ব্যৱস্হা কৰা হবনে কি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) নিশ্চয় কৰা হব ।

শ্ৰীগোলোক ৰাজবংশী : যি সকল কয়দীয়ে ভাল বস্তু উৎপাদন কৰে তেওঁলোকে যাতে সেইটোকে পেশা হিচাবে লৈ থাকিব পাৰে সেই বিষয়ে চিন্তা কৰিব নেকি?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : তেনেএখন আঁচনি আগৰ চৰকাৰৰ দিনত লোৱা হৈছিল কিন্তু কৃতকাৰ্য্য হৈ নুঠিল। সেই বিষয়ে বৰ্ত্তমান চৰকাৰে চকু দিছে আৰু ব্যৱস্হা গ্ৰহণ কৰিছে।

অতুল চন্দ্ৰ গোস্বামী : যি সকল কয়দীয়ে বিশেষ ভাবে ভাল উৎপাদন কৰে সেই সকলে তাৰ পৰা কিছু আৰ্থিক সাহাৰ্য্য পায়নে কি ? আৰু উৎপাদন এক লাখ বুলি কৈছে ইয়াৰ মূল্যটো প্ৰশিক্ষকৰ হতুৱাই পৰীক্ষা কৰাৰ ব্যৱস্হা আছে নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : চৰকাৰী সকলো ধৰণৰ কথা পৰীক্ষা কৰাৰ ব্যৱস্হা আছে আৰু কৰি থকা হৈছে। মাননীয় সদস্যই পাৰিতোষীৰ কথা সুধিছে, বৃটিছৰ দিনৰ পৰাই দিনে ১৯ পইচা ৪০ পইচাকৈ দিয়া প্ৰথাটো চলি আহিছে এতিয়া নতুন চৰকাৰে তাক বৃদ্ধি কৰাৰ কথাটো আমাৰ ফালৰ পৰা চিন্তা কৰি আছো আৰু এই মৰ্ম্মে ইন্সপেক্টৰ জেনেৰেল অৱ প্ৰিজনৰ পৰা এটা প্ৰস্তাৱ আহিছে সেইটো পৰীক্ষা কৰি থকা হৈছে।

Re : **Compensation of Land**

Shri ABUL KASHEM asked :

*23. Will the Minister, Revenue be pleased to state—

(a) Whether any step has been taken by the Government to give full compensation of Land acquired for the Kaliabor Lift Irrigation Schemes and Kolong Intrigated Scheme ?

(b) If not, the reasons there of ?

Shri LAKSHESWAR GOHAIN (Minister, Revenue) replied :

23. (a)—Necessary action has been taken in both the Schemes and some payment has been made.

(b) Does not arsise.

Shri ABUL KASHEM : Whether it is a fact that due to non-payment of the Compensation the poor people are badly suffering from a long time ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী)ঃ ইতিমধ্যে ২০ ভাগ দিয়া হৈছে আৰু বাকীখিনিৰ পৰীক্ষা কৰি থকা হৈছে।

শ্ৰীআবদুল কাচেমঃ মন্ত্ৰী মহোদয়ে এই কথা জানে নে কি যে এই স্কীমৰ বাবে যি যি মাটি লোৱা হৈছিল তাৰ টকা সময়মতে নোপোৱাৰ বাবে মানুহৰ দুৰবস্থা হৈছে?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী)ঃ এতিয়ালৈকে মোৰ দৃষ্টিলৈ অহা নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীঃ কলং জলসিঞ্চন আঁচনি আৰু কলিয়াবৰ উত্তোলন জলসিঞ্চন আঁচনি দুষ্টি দুটাত দুটা পাৰ্টিয়ে ক্ৰমে পাঁচ হেজাৰ তিনি হেজাৰ টকা অন্য মানুহৰ নামত লৈ গল, সেই খবৰ মন্ত্ৰী মহোদয়ে পাইছেনে?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী)ঃ এইটো মোৰ দৃষ্টিলৈ অহা নাই। আহিলে ব্যৱস্থা লম।

Shri RANENDRA NARAYAN BASUMATARI—Will the Minister be pleased to agree that this is not the only case, but in various other cases like P. W. D: in road scheme, in lift irrigation scheme or in embankment scheme compensation has not been paid for the lands acquired ? May I know from the non'ble Minister what are the reasons for such inordinate delay ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী)ঃ এই সম্পৰ্কে ইতিমধ্যে বিহিত ব্যৱস্থা চলাই থকা হৈছে।

শ্ৰীযোগেন গগৈঃ এই ক্ষেত্ৰত মাটি অধিগ্ৰহণ কৰা টকাৰ শতকৰা ৫০ ভাগ দিয়া হৈছে আৰু বাকী ৫০ ভাগ দিয়া হোৱা নাই। এই বাকী ৫০ ভাগৰ ক্ষেত্ৰত সোনকালে দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী)ঃ কলিয়াবৰ জলসিঞ্চনৰ কথাটো আমাৰ দৃষ্টিলৈ আহিছে আৰু আন ক্ষেত্ৰত এনে অভিযোগআহিলে ব্যৱস্থা লোৱা হব।

শ্ৰীঅতুল গোস্বামীঃ নাহৰকটীয়াৰ তেল কোম্পানীৰ কাৰণে লোৱা মাটিৰ ক্ষতি পূৰণ ২ হেজাৰৰ পৰা ৪ হেজাৰলৈ বিঘাই প্ৰতি ক্ষতি পূৰণ দিয়া হৈছে, কিন্তু কলিয়াবৰ জলসিঞ্চন আঁচনিৰ বাবে ক্ষতি পূৰণ মাত্ৰ বিঘাই প্ৰতি ৯ শ টকাহে দিয়া হৈছে। এইটো বৰ্দ্ধিত কৰাৰ ব্যৱস্থা কৰা উচিত বা কৰিব নোৱাৰেনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) ঃ তেল কোম্পানীৰ কাৰণে ১৯৬৫ চনতে ১ হেজাৰ টকা ধাৰ্য্য কৰা হৈছিল, এই কথাটো ইতিমধ্যে চিন্তা কৰা হৈছে।

শ্ৰীবন্ধ বৰুৱা ঃ ক্ষতিপূৰণ দিয়াৰ সংক্ৰান্তত কেইজনমানে টকা আত্মস্যাত কৰাৰ অপৰাধত কেইজনমানৰ ওপৰত শিৱসাগৰ কৰ্টত মোকৰ্দমা চলি থকা কথাটো চৰকাৰে জানেনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) ঃ এনে খবৰ মোৰ দৃষ্টিত নাই।

শ্ৰীজীৱন বৰা ঃ আগৰ চৰকাৰৰ দিনত মাটি অধিগ্ৰহণ কৰি ১২ বছৰলৈকে টকা নিদিয়াকৈ থকাৰ প্ৰমাণ আছে। এনে ধৰণেৰে নিদিয়াকৈ থকা টকাটো সোনকালে দিয়াৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী)ঃ তেখেতে বিশেষ ভাবে নটিচ দিলে ব্যৱস্থা লব পৰা হব।

**Re : Construction of an over B-id er Railways in Kokrajhar Town**

Shri RANENDRA NARAYAN BASUMATARI asked :

*24 Will the Minister, P.W.D. be pleased to state—

(a) Whether it is a fact that the construction of an Over Bridge over the Railways in Kokrajhar Town started in the early part of 1970 ?

(b) If so, whether it is also a fact that the construction work was stopped in 1972 ?

(c) If so, the reason for not resuming the construction work uptil now ?

(d) Whether there is any possibility for yearly completion of the work ?

(e) If so, when ?

Shri DULAL CHANDRA BARUA (Minister, P.W.D.) replied :

24.(a)—The work on approaches to the Over-Bridge was started on 30th November 1970.

(b)&(c)—The construction works was temporarily suspended from May, 1971 to November, 1971 due to non-delivery of the possession of a portion of land by the Civil authority. The work was also suspended from 19th October, 1973 upto 14th July, 1975 due to the death of the original contractor which necessitated finalisation of earlier contract and induction of a new contractor. The work except for items connected with Railway portion of the work and some order minor items have been completed and the remaining works will be started as soon as the common pier on which both the Over-Bridge deck and approach superstructures are to rest, is completed by the Railways.

(d)—Railways conld not take up the work on ground during last financial year due to shortage of cement. They have however assured the Department that thay are going to start the work in Jnne, 1973 and they have programmed to complete the work during coming working season. P.W.D. also has drawn up programme to complete the remainning works simultaneously with the completion of Raillways portion of work.

(e)—Work is expected to be completed by end of June, 1979.

SHRI RANENDRA NARAYAN BASUMATARI : Mr. Speaker, Sir, will the Hon'ble Minister be pleased to tell us, as the incomplete overbridge is standing like a China wall marring the beauty of the Kokrajhar which has also been seen by the Hon'ble Chief Minister during his last visit to the town, whether the matter will be taken up with the Central Government for expediting the completion of the work ?

SHRI DULAL CHANDRA BARUA (Minister) : Yes, Sir, definitely.

SHRI PROSAD DOLOI : Under what statistical point of view an overbridge is constructed on the railway line ?

SHRI DULAL CHANDRA BARUA (Minister) : By taking into account all the technical factors.

Re : **Civil Subdivision at Biswanath Charali**

Shri GOLOK RAJBANSHI asked :

*25. Will the Chief Midister, be pleased to state—

(a) Whether Government is aware of the fact that the Public of East Jiabharali area are demanding a Civil Subdivision at Charali since a years back ?

(b) If so, what steps Government has taken to establish a Civil Subdivision at Charali ?

Shri GOLAP BORBORA (Chief Minister) replied:

25.(a)—Yes, representations were received from the organisations mentioned in the statement is placed on the Table of the House for establishment of a Civil Subdivision at Biswanath Charali.

(b)—The matter is under consideration.

শ্ৰীগোলোক ৰাজবংশী ঃ— যোৱা চৰকাৰে ৩০ মাৰ্চ্চৰ আগতে জিলা আৰু মহকুমা সমূহ পুনৰ গঠন কৰা সম্পৰ্কত এই বিধান সভাৰ মজিয়াত কথা দিছিল, বৰ্ত্তমান চৰকাৰে সেই বিষয়ে কিবা চিন্তা কৰিছেনেকী ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— চিন্তা কৰি থকা হৈছে।

SHRI PROMODE CHANDRA GOGOI : Mr. Speaker, Sir, whether it is a fact that the Government of Assam had appointed a Commission under the Chairmanship of Mr. Kohli, the then deputy Chairman of the Assam Planning Board and whether the Commission had submitted its recommendations with regard to reorganisation of districts and subdivisions in Assam ?

SHRI GOLAP BORBORA (Chief Minister) : Yes.

SHRI PROMODE CHANDRA GOGOI : Sir, when the answer is in positive whether the Government have taken a decision on the recommendations made by the Kohli Commission with regard to the reorganisation of districts and subdivisions ?

SHRI GOLAP BORBORA (Chief Minister):—It is under consideration.

SHRI PROSAD DOLOI : Sir, whether the Government will consider creation of a new subdivision in Nowgong district ?

SHRI GOLAP BORBORA (Chief Minister ): The whole report is under consideration of the Government.

SHRI GOLOK RAJBANSHI : Sir, when the previous Government could take certain decisions with regard to districts and subdivisions what are the new factor that are now coming up for delaying the decisions by the present Government ?

SHRI GOLAP BORBORA (Chief Minister) : Sir, we are examining the whole matter and could not complete the whole process as yet

SHRI FAKHRUL ISLAM : May I know from the Hon'ble Chief Minister when the Government will make its mind know regarding the creation of a district in Cachar taking Karimganj and a part of Hailakandi ?

SHRI GOLAP BORBORA (Chief Minister) : The whole thing is under examination.

SHRI PROMODE CHANDRA GOGOI : Sir, the Chief Minister has replied that the report of the Commission is under consideration of the State Cabinet. May I know from the Chief Minister how long the Government will take to come to a final decision ?

SHRI GOLAP BORBORA (Chief Minister) : Sir, it is not possible to give the final date and time.

বি ঃমিঠাতেলৰ দাম

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

*২৬। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা এপ্ৰিল মাহত চৰকাৰী ঘোষণা অনুযায়ী মিঠাতেলৰ প্ৰতি লিটাৰৰ দাম কিমান আছিল ?

(খ) সেই সময়ত চৰকাৰে নিৰ্দ্ধাৰণ কৰা মূল্যতকৈ উৰ্দ্ধ দামত মিঠাতেল বিক্ৰী কৰিবলৈ গুৱাহাটীৰ কোনো এক তেল কলক অনুমতি দিয়া হৈছিল নেকি ?

(গ) যদি দিয়া হোৱা নাছিল, তেনেহলে এনেকৈ উৰ্দ্ধ দামত মিঠাতেল বিক্ৰী কৰাৰ খবৰ চৰকাৰে পাইছেনে আৰু যদি পাইছে তেনে কাৰ্য্য কৰা ব্যৱসায়ীৰ ওপৰত চৰকাৰে কিবা ব্যৱস্থা লৈছেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৬। (ক)—চৰকাৰীভাবে যোৱা এপ্ৰিল মাহত মিঠাতেলৰ কোনো দাম নিৰ্দ্ধাৰণ কৰা হোৱা নাছিল।

(খ)—প্ৰশ্ন নুঠে।

(গ)—প্ৰশ্ন নুঠে।

শ্ৰীহিতেশ্বৰ শইকীয়া : মন্ত্ৰী গৰাকীয়ে যোৱা বিধান সভাত কোৱাৰ দৰে সৰিয়হ কিনাৰ আঁচনি প্ৰস্তুত কৰিছেনেকি ? যদি কৰিছে সেই আঁচনি কেনেকৈ কাৰ্য্যকৰী কৰিব ? দ্বিতীয়তে সৰিয়হ কিনাৰ ক্ষেত্ৰত চৰকাৰী নিয়ন্ত্ৰণ নাই, এই আঁচনি কাৰ্য্যকৰী কৰাৰ কি ব্যৱস্থা লব ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : সৰিয়হ আমি সংগ্ৰহ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। কেন্দ্ৰীয় চৰকাৰৰ সৰিয়হ সংগ্ৰহ কৰাৰ হাত আছিল। তেওঁলোকলৈ লিখালিখি কৰা হৈছে। আগৰ যি সৰিয়হ আছিল, সেই বিলাক কিনি পেলালে। তেওঁলোকৰ পৰা কিনিলে যথেষ্ট দাম পৰিব আৰু তেলৰ দাম বেচি হব। সৰিয়হ কিনাৰ লগে লগে যদি তেল মিল কৰিব নোৱাৰো তেতিয়াহলে সৰিয়হ কিনি লাভ নহব। সৰিয়হ সংগ্ৰহ কৰাৰ লগে লগে মহকুমাত দুটাকৈ কো-অপাৰেটিভ চেষ্টাৰত তেল মিল যদি কৰিব পাৰে তেতিয়া-হলে সংগ্ৰহ কৰিলে আঁচনি কাৰ্য্যকৰী হব আৰু সেই বিষয়ে বিবেচনা কৰি থকা হৈছে।

ম : ছামচুল হুদা : কেন্দ্ৰীয় চৰকাৰে মিঠাতেলৰ দাম বান্ধি দিছিল, ৰাজ্যিক চৰকাৰে সেই দাম নিয়ন্ত্ৰণ কৰিব পৰা নাই, সচাঁনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা যি খিনি যোগান দিছিল তাৰ দাম বান্ধি দিছিল। চিজলাৰ প্ৰতি কেজিত ৮.৫০ টকা। বাকী মুকলি বজাৰত থকা খিনিৰ দাম নিয়ন্ত্ৰণ কৰা নাই।

শ্ৰীবাণেশ্বৰ শইকীয়া : কেন্দ্ৰীয় চৰকাৰে ৮.৫০ টকাত তেল দিছিল, চৰকাৰে বিতৰণ কৰাৰ ব্যৱস্থা কৰিছিলনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : বিতৰণৰ ব্যৱস্থা কৰা হৈছিল।

শ্ৰীঅতুল গোস্বামী : ৮.৫০ টকাকৈ তেলৰ দাম বান্ধি দিছে। তাতোকৈ বেচি দামত তেল বেচিছিল, সেই কনৰ্চাণৰ খবৰ ৰাখিছেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী): বেচি দামত বেচাৰ প্ৰশ্ন উঠিব নোৱাৰে। যেতিয়া দৰকাৰ হয় ষ্টকৰ পৰা ৰিলিজ কৰি দিওঁ।

মঃ ছামচুল হুদা: কেন্দ্ৰীয় চৰকাৰে তেলৰ যি দাম বান্ধি দিছে, সেই দামত ৰাজ্য চৰকাৰে তেল দিয়াৰ ব্যৱস্থা কৰিছেনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী): চৰকাৰী খণ্ডৰ পৰা অনা হৈছে ৮.৫০ টকাকৈ। মুকলি বজাৰত ১০-১১ টকা চলি আছে। মুকলি বজাৰত কন্ট্ৰল নাই।

মঃ ছামচুল হুদা: বৰ্তমান অসমৰ চাহিদা অনুসৰি কিমান পৰিমাণৰ তেলৰ নাটনি হৈ আছে? ৰাজ্য চৰকাৰে এই নাটনিৰ পৰা তেলৰ যোগান ধৰিবৰ কাৰণে ব্যৱস্থা কৰিছেনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী): নাটনি বুলিও কব নোৱাৰো আৰু আছিছে বুলিও কব নোৱাৰো। কালিলৈ কি হব স্পষ্টভাৱে উত্তৰ দিয়াটো মস্কিল।

SHRI MD. UMARUDDIN: May I know, Sir, as the Minister of Supply has said that there are certain quantity of Mustard oil received from the Government of India which is supposem to be sold at Rs. 8·50 per litre, and again, in the open market the ruling price is Rs. 10/ or 11/ per litre, through which source or which arrangement the Government can ensure sale of certain quality at Rs. 8·50 per litre and another quality at Rs. 10/ or Rs. 11/ per litre?

SHRI DULAL CHANDRA BARUA (Minister): Sir, the whole problem is that our people do not prefer to take this quality of oil, which was purchased by the former Government. Now we are giving though not sufficient quantity, of mustard oil that we are having at our disposal. Therefore, the question is, unless the people accept this quota of M. oil for their consumption, it is very difficult on our part to say in what way things will move. But the Govnrnment is determined to take all the stock of oil and distribute it through individual distributing system.

SHRI MD. UMARUDDIN: Sir, the reply is not clear. The Ministe says that the M. oil which was purchased by th previous Government is not acceptable to th consumers. If it is not acceptable to the people, how will the Government dispose f the stock?

Shri DULAL CHANDRA BARUA, (Minister): -Sir, the stock of musterd oil which has been parchased from Central stock is not acceptable for human consumption.

Md. UMARUDDIN:—Sir, if it is not acceptable and cannot be sold then why they are holding the stock? why that has not been returned or dertroyed?

Shri DULAL CHANDRA BARUA, (Minister): Sir. the whole thing is that there is a rumour that it was not fit for human con-

sumption. But it is found that it is not so; that can be consumed. The price of the balanced mastard oil has been reduced and its price is lower in our State than in other State. As for instance the price in West Bengal is higher than in our State,

Md. UMARUDDIN:—May I know what is the stock the Government possess at present and what is the cost involved?

Shri DULAL CHANDRA BARUA, (Minister):—We have got 107.000 tins and out of that 90,000 tins are of Sijala and the price is fixed at Rs. 8.40 paise per litre.

মঃ ছামছুল হুদা ঃ অধক্ষ্য মহোদয় মন্ত্ৰী মহোদয়ে পশ্চিমবঙ্গৰ তেলৰ বৰ্দ্ধিত দামৰ কথা কৈছে। এইটো কথা সচাঁনেকি যে তাত চুপ্ৰিম কৰ্টৰ পৰা জাজমেণ্ট আনি বাধ্য কৰা হিচাবে তাত তেলৰ দাম ৮.৫০ টকাৰ পৰা বেছি দাম কৰিছিল?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী)ঃ সেইটো কথা নাজানো।

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ বৰ্ত্তমানে যিটো মিঠাতেল বিক্ৰি কৰা হৈছে তাত ৰেপচিদ কিমান আছে আৰু সৰিয়হ কিমান আছে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী)ঃ এইটো কেমিকেল এনালাইচিচ কৰি দেখা গৈছে যে, ইয়াত শতকৰা ২৫ ভাগ ৰেপচিদ আছে।

Shri GOLOK CHANDRA RAJBONGSHI:—Sir when the present Government is educating the people that there is no harm in consumption of Sijula mustard oil then what is the harm in purchasing this type of mustard oil we want to know.

Shri DULAL CAANDRA BARUA (Minister):—We are not saying it. We have already educated the people and we are now distributing it in all the districts. We have already cleared 3,000 tins.

**বি ঃ চাউল যোগানৰ ব্যৱস্থা**

শ্ৰীগোলোক কাৰ্কীতয়ে সুধিছে ঃ—

২৭। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্ত্তমান ধানৰ দাম বঢ়াৰ লগে লগে চাউলৰ দাম বঢ়াৰ কথা চৰকাৰে জানেনে?

(খ) যদি জানে, তেন্তে গাঁৱৰ দুখীয়া ৰাইজক সস্তীয়া দৰৰ চাউল যোগানৰ কি আশু ব্যৱস্থা চৰকাৰে লৈছে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৭। (ক)—হয়, জানে।

(খ)—জিলাধিপতি ও মহকুমাধিপতিৰ এলেকাত জনসাধাৰণৰ চাহিদা অনুযায়ী সস্তীয়া দোকানৰ জৰিয়তে চাউল যোগান ধৰাৰ ব্যৱস্থা আছে।

শ্ৰীগোলোক কাৰ্কিত : অধ্যক্ষ মহোদয়, যেতিয়া চাউলৰ দাম বাঢ়ি যায়, তেতিয়া দুখীয়া জনসাধাৰণে প্ৰয়োজন অনুসাৰে চাউল কিনিবলৈ নাপায়। নগৰ বা চহৰত থকা সস্তীয়া চাউলৰ দোকানৰ জৰিয়তে অৱস্থাপন্ন মানুহে ভোগ কৰে আৰু গাঁৰ অৱস্থাপন্ন মানুহেও ভোগ কৰে। কিন্তু অতি গৰীব জনসাধাৰণৰ কাৰণে এইটো বৰ অসুবিধা হয়। ইয়াৰ কিবা বিহিত ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : আমাৰ গাঁৱৰ অৱস্থা কিছুদিনৰ আগলৈকে ভাল আছিল। গাৱৰ বাইজ খেতি-বাতি কৰি খাই বৈ আছিল। এতিয়া আগৰ দৰে খেতিবাতি নাই, খোৱা পিন্ধাও টান হৈ পৰিছে। গতিকে আমাৰ চৰকাৰে সিদ্ধান্ত কৰিছে যে, যিবিলাক অঞ্চলত এনে ধৰণৰ অৱস্থা হৈছে, সেই বিলাক অঞ্চলত বিতৰণ ব্যৱস্থাৰ দ্বাৰা খাদ্য সামগ্ৰীৰ যোগান ধৰা হব। আৰু এই বিতৰণ ব্যৱস্থা কটকটীয়া কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে।

শ্ৰীগোলোক কাৰ্কিত : অধ্যক্ষ মহোদয়, মই চৰকাৰৰ পৰা জানিব বিচাৰিছো যে, আগতে গাঁও অঞ্চল বিলাকত সমবায় সমিতি বিলাকে খাদ্য সামগ্ৰী যোগান ধৰিছিল। এতিয়া সেই সমিতি বিলাকৰ অৱস্থা শোচনীয় হোৱাত চৰকাৰে খাদ্য সামগ্ৰী যোগানৰ বাবে কিবা বিকল্প ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : যিবিলাক সমবায় ভাল ৰকমে চলি আছে সেইবিলাক ঠাইত সমবায়ৰ দ্বাৰা আৰু যিবিলাকত সমবায় ভালধৰণে চলা নাই সেইবিলাকত আন ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীবানেশ্বৰ শইকীয়া : অধ্যক্ষ মহোদয়, বৰ্ত্তমান গাঁও অঞ্চলত ধানৰ দাম কিমান হৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : ধানৰ দাম কুইণ্টলত ১১০ টকা আৰু মোনে প্ৰায় ৪৪ টকা হৈছে।

শ্ৰীবানেশ্বৰ শইকীয়া : অধ্যক্ষ মহোদয়, লহৰীঘাট, ধিং আদিত ধানৰ দাম যে মোনে ৫০ টকা হৈছে সেইটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : সেই খবৰ আমি পোৱা নাই।

শ্ৰীনন্দলাল হুদা :— প্ৰতি বছর লীন সীজনে গরীব দুঃখ কৃষকদের অবস্থা অত্যন্ত খারাপ থাকে। একথা আমরা সকলেই জানি। সুতরাং আমি মন্ত্ৰী মহোদয়ের নিকট থেকে জানতে চাই যে জুন মাস থেকে সেপ্তেম্বরমাস পর্যন্ত, এই তিন-চার মাস তাদের কোন কাজের বিনিময়ে খাদ্য যোগাবার কোন ব্যবস্থা করবেন কি? সরকার কি জানেন যে পশ্চিমবঙ্গ সরকার একাজ করেছে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— সেইটো বিবেচনা কৰা হব।

শ্ৰীযোগেন গগৈ : অধ্যক্ষ মহোদয়, বানবিধ্বস্ত এলেকাত যেতিয়া বাটটো বেয়া হোৱা বাবে যান বাহান বন্ধ হৈ থাকে তেতিয়া সেই অঞ্চল বিলাকত থকা দুখীয়া জন-সাধাৰণৰ বৰ অসুবিধা হয়। গতিকে সেইসময়ত তাত খাদ্য সামগ্ৰী যোগান ধৰিবৰ কাৰণে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : ইতিমধ্যে আমি ৩।৪ মাহৰ কাৰণে চাউলৰ যোগান ধৰা ব্যৱস্থা কৰা হৈছে যাতে বাহিৰৰ পৰা অনা নহয়। এনেধৰণৰ এলেকা প্ৰতি মহকুমাতে আছে সেইবিলাক ঠাইত বিভাগীয় বিষয়াই ব্যৱস্থা গ্ৰহণ কৰিব। আৰু আমাৰ মাননীয় সদস্য সকলেও বিশেষ ধৰণে চকু ৰখা ব্যৱস্থা কৰা হব।

শ্ৰীগিয়াছউদ্দিন আহমেদ : অধ্যক্ষমহোদয়, আমাৰ অসমত এতিয়ালৈকে প্ৰকিউৰ-মেণ্ট কিমান হৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : এতিয়ালৈকে ২২ হাজাৰ কুইণ্টল হৈছে।

শ্ৰীগিয়াছউদ্দিন আহমেদ : এই খিনিয়েই গোটেই অসমত যোগান ধৰা কাৰণে হবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এইখিনিয়েই যথেষ্ট নহব কাৰণেই কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি চাউল অনাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীলক্ষ্য দলে : অধ্যক্ষ মহোদয়, যিবিলাক ঠাইত সমবায় সমিতি বিলাক জৰাজীৰ্ণ অৱস্থাত আছে তাত আন ব্যৱস্থা লোৱা হব বুলি কৈছে, সেইটো কেনেধৰণৰ হব তাৰ এটা আভাষ দিব লাগে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : সেইবিলাক অঞ্চলত আপোনালোকে আগতে কৰি দিয়া ফেয়াৰ প্ৰাইচ চপ আদিৰ দ্বাৰা বয় বস্তু যোগান কৰা হব।

শ্ৰীগিয়াছউদ্দিন আহমেদ :— আমাৰ যি সংগ্ৰহ কৰা হৈছে সেইয়া যথেষ্ট নোহোৱা কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা চাউল অনাৰ ব্যৱস্থা কৰা হৈছে। সেইটো অসমৰ ভিতৰতে সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিব নোৱাৰেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—অহা বছৰৰ পৰা ব্যৱস্থা কৰাৰ কথা চিন্তা কৰিম।

শ্ৰীজগত চন্দ্ৰ পাটগিৰি :—অধ্যক্ষ মহোদয়, নগৰ আৰু চহৰ অঞ্চল বিলাকত প্ৰায়ে ধান চাউল বিতৰণ হৈ থাকে, কিন্তু গাঁও অঞ্চলবিলাকলৈ মাহে এবাৰকৈ চেনি আদি যায়, কেইবাৰো যোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—গাঁওত যিবিলাক সমবায় আছে সেই সমবায় বিলাকে খাদ্য সামগ্ৰী বিতৰণ কৰি আছে। ইয়াৰোপৰি ফেয়াৰ প্ৰাইচ চপ আৰু ষ্টেট ফেট আদিৰ দ্বাৰা চাউল আদি যোগান ধৰা ব্যৱস্থা কৰা হৈছে।

শ্ৰীবানেশ্বৰ শইকীয়া :—মাননীয় অধ্যক্ষ মহোদয় সেই গাঁও বিলাকত কেনেকৈ যোগান দিয়াৰ ব্যৱস্হা কৰিছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—ৰিকুয়াৰমেণ্ট অনুযায়ী যোগান ধৰাৰ দিহা কৰা হৈছে ।

শ্ৰীযোগেন গগৈ :—মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ কিমান প্ৰকীউৰমেন্ট হৈছিল আৰু এইবছৰ কিমান হৈছে ? এই বছৰ যোৱাবছৰতকৈ কমনে বেছি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— যোৱা বছৰ আৰু এই বছৰৰ প্ৰকিউৰমেণ্টৰ বিৰাট ব্যৱধান আছে। এই বাৰ অলপ কম। অধ্যক্ষ মহোদয়, ২২ হাজাৰ মেট্ৰিক টন যোৱাবছৰৰ জানুৱাৰী মাহলৈকে হৈছিল। তাৰ পিছত এতিয়ালৈকে তিনিলাখ কুইণ্টল হৈছে। সেই কাৰণেই কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি জনোৱা হৈছে যে, মান্থলি চাহিদা আমাক বেছিকৈয়ে লাগে। সেই মতেই আমি আমাৰ ৰিকুৱাৰমেণ্টতকৈ বেছি কৰিয়েই আনিছো। অৰ্থাত এইবাৰ আমি ৪০ হেজাৰ মেট্ৰিক টন আনিছোঁ।

শ্ৰীযোগেন গগৈ :— এই বছৰ ধানসংগ্ৰহৰ পৰিমাণ কম হৈছে বুলি মাননীয় মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— সেইটো বৰ সত্য নহয় ।

মো: ছামছুল হুদা :— দৈনিক জনমূৰি কিমান কৈ চাউল দিয়াৰ ব্যৱস্হা কৰিছে ? আমি জনাত মাহে একিকিলোকৈ চাউল যায়। চাউল কিমানকৈ দিব তাৰ এটা নিৰ্দিষ্ট ব্যৱস্হা আছেনে নাই ? এজন মানুহক কিমান চাউল দিব ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মই কৈছোয়েই যে, মানুহৰ বয়বস্তুৰ যিমান খিনি দৰ্কাৰ সেই মতে যোগান দিবৰ কাৰণে বিভাগীয় স্হানীয় বিষয়া, গাঁও সভা আদিৰ সদস্য বা অন্য তেনে কৰ্ম্মকৰ্ত্তা সকলৰ লগত মাননীয় সদস্য সকলকে ধৰি সেই সকলে হিচাব পত্ৰ কৰি চাব। সেইমতে সেই চাউল যোগান ধৰা হব ।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী : চৰকাৰৰ ফালৰ পৰা এচেছমেন্টৰ ব্যৱস্হা আছেনেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : এচেছমেন্ট কৰা নাই। ৰেচনিঙৰ ব্যৱস্হা সম্পূৰ্ণ ৰূপে নকৰা পৰ্য্যন্ত সেইটো কৰা নহয়।

শ্ৰীবিপিন হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, বানপানী হোৱা অঞ্চল বিলাকত বিশেষকৈ যেতিয়া কোনো যাতায়ত আদিৰ আনকি নাও আদিৰো ব্যৱস্হা নেথাকে তেতিয়া সেই বিলাক জেগাত যোগান দিবৰ কাৰণে চৰকাৰে ইতিমধ্যেই কিবা ব্যৱস্হা কৰিছেনেকি ? দ্বিতীয়তে, আসাম লেণ্ড ৰেভিনিউ মেনুৱেল এখনো আছে। সেইমতে কিমান পৰিমানৰ চাউল দিব লাগে তাৰো এটা হিচাব আছে। সেইমতি সেই পৰিমানৰ চাউল যদি বানপানীৰ সময়ত যোগান দিয়াৰ ব্যৱস্হা কৰা হয় তেতিয়াহলে, কিমান চাউলৰ প্ৰয়োজন হব ? ইয়াৰ চৰকাৰে কিবা হিচাব ৰাখিছেনেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী): এতিয়ালৈকে তেনেধৰণৰ হিচাব ৰখাৰ কোনো ব্যৱস্থা নাই যদিও এই পৰিপ্ৰেক্ষিতত যিখিনি ব্যৱস্থা গ্ৰহণ কৰিব লাগে সেই সম্পৰ্কে ইতিমধ্যেই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। লগে লগে নাৱৰা ব্যৱস্থা আদি কৰা হব। বান-পানীৰ সময়ত যিমান খিনি এক্সট্ৰা চাউল পাতি আদিৰ যোগানৰ প্ৰয়োজন হব সেই খিনি মজুত কৰি ৰখা হৈছে। যেতিয়াই যি বস্তুৰ যোগান ধৰাৰ দৰ্কাৰ হব সেইটো কৰা হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চাউলৰ যেতিয়া নাটনি পৰিব তেতিয়া সেই নাটনি ৰোধ কৰিবৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা আনিব লাগিব। এই পৰিপ্ৰেক্ষিতত মই মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা সুধিব খুজিছো আৰু এইটো সচাঁনে যে, ষ্টেট্ ফেডে কিছুমান চাউল কিছুমান ব্যক্তিগত ব্যৱসায়ীৰ ওচৰত বিক্ৰী কৰিছে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী): সেই খবৰ এতিয়ালৈকে পোৱা নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী: মাননীয় অধ্যক্ষ মহোদয়, যদি মাননীয় মন্ত্ৰী মহোদয়ক এই খবৰ দিয়া হয় যে, ষ্টেট ফেডে কিছুমান চাউল ফাচিবজাৰৰ অমুক বেপাৰীক বেচিছে তেতিয়াহলে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী): এই কথাজনালে নিশ্চয় ব্যৱস্থা লোৱা হব।

Re: **Appointment of Grade III & IV Employees Regional Engineering College, Silchar**

Shri ALTAF HOSSAIN MAJUMDAR asked:

28. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that some Grade III & IV employees have been appointed recently in the Regional Engineering College, Silchar and if so what are their numbers?

(The names and home address of the presons appointed may be furnished).

(b) Whether there is any selection committee for the purpose and it so, who are the members of the selection committee?

(c) Who is the appointing authority of Grande III & IV employees?

Shri LAKHYADHAR CHOUDHURY (Minister, Education) replied:

28 (a) - Yes, the numbers are as follows—

(1) **Grade III**—

| | | |
|---|---|---|
| (i) Clerical Staff | 7 | Nos |
| (ii) Overseers | 1 | No. |
| (iii) Tracers | 2 | Nos. |
| (iv) | (on daily wages). | |
| (v) Driver | 1 | No. |
| | (on daily wages) | |

(2) **Grade IV** :

No new grade IV staff has been appointed on regular basis but there are about 13 of such staff appointed either on daily wages or consolidated pay for Hostel, etc. (The list showing name, home address and details of appointment of all these persons is placed on the Table of the House).

(b)—No selection Committee for recruitment of Grade III & IV staff has been constituted except the one constituted for selction of Tracers and Overseers with the following members:—

(1) Dr. H Chablani

Principal—Chairman.

(2) Shri S. P. Sarkar, Special Officer, Member.

(3) Shri G. C. Debnath, Asstt. Prof.—Member.

(4) Shri N. C. Changkakati, Asstt. Prof.—Member.

(5) Shri M. C. Saikia Estate Engr.—Memebr.

The appointment of clerical staff was made on the basis of a written test and speed test in type-writing.

(c)—Principal of the Regional Engineering College, Silchar

Shri ALTAF HUSSAIN MAJUMDAR : Mr. Speaker, Sir, will the Minister be pleased to state the total number of Grade III and IV employees in the College respectively ?

Shri LAKHYADHAR CHOUDHURY (Minister, Education) : Sir, I want a separate notice for this question.

Shri ALTAF HUSSAIN MAJUMDAR : Sir, will the Minister please give the names of the clerical staff ?

Shri LAKHYADHAR CHOUDHURY (Minister, Education) : Yes, It is on the table of the House.

Mr. SPEAKER : Honourable member may look into the list.

Shri ALTAF HUSSAIN MAJUMDAR : There is no Selection Committee. Without a Selection Committee who took the test ?

Shri LAKHYADHAR CHOUDHURY (Minister, Education) : The Principal of the College was authorised to conduct the test.

Shri ALTAF HUSSAIN MAJUMDAR : No Sir, I asked who took the test ? There was no Selection Committee for selecting these staffs.

Shri LAKHYADHAR CHOUDHURY (Minister, Education) : Under the guidance of the Principal, Sir.

Shri ALTAF HUSSAIN MAJUMDAR : Sir, my question is who took the test ?

Shri LAKHYADHAR CHOUDHURY ( Minister, Education ) — I cannot say just now about that.

Shri ALTAF HUSSAIN MAJUMDAR : Sir, is the Minister aware that there is a circular from the Government of India that due consideration should be given to deserving minorities such as Muslims, Christians etc. ? There was a circular that in case of appointment population pattern should be given effect to and it should be reflected. Whether this circular has been given effect to in respect of these services ? Whether due justice has been done to the minorities like Muslims, Christians etc. ?

Shri LAKHADHAR CHOUDHURY ( Minister, Education ) : From the list it appears that it is not with that direction of Central Government. But I can say from my behalf that this College is running absolutely by the Government of India and I am still not the Chairman of the College Board. I am not the regular Chairman of the College, yet I am waiting for the approvel of the Central Government.

Shri ALTAF HUSSAIN MAJUMDAR : Mr. Speaker, Sir, will the Minister bring it to the notice of the Government of India ?

Shri LAKHYADHAR CHOUDHURY ( Minister, Education ) : Yes Sir, I shall look into matter and take up with the Government of India.

শ্রীনুরুল হুদা ঃ মন্ত্রী মহোদয় একথা জানেন কি যে এই শিলচর "রিজিওন্যাল ইঞ্জিনীয়ারিং" কলেজে নিয়োগের ব্যাপারে বহু অনিয়ম চলছে এবং সেখানে অস্থায়ীভাবে শ্রমিক কর্মচারী নিয়োগ করে ৮/১০ দিন অথবা ১ মাসের মধ্যে তাদের বরখাস্ত করা হয় ? এই ধরণের কোন অভিযোগ মন্ত্রী মহোদয় পেয়েছেন কি ? যদি পেয়ে থাকেন তাহলে এর প্রতিকারের কোন ব্যাবস্তা তিনি নেবেন কি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ এই কলেজ খনৰ বহুসংখ্যক অভিযোগ আমি পাইছো। ইয়াৰ লগতে আমাৰ মাননীয় সদস্য গৰাকীয়ে কৰা অভিযোগো আছে। বৰ্ত্তমান যিহেতু মই নিজেই সেই কলেজৰ সম্পূৰ্ণ চেয়াৰম্যান হৈ উঠিব পৰা নাই সেই কাৰণে মই প্ৰিন্সিপালক মাতিছো আৰু তেওঁৰ লগত আলোচনা কৰি সোনকালে বাৱস্হা কৰা হব।

শ্ৰীগোলোক ৰাজবংশী ঃ আধা আৰু সম্পূৰ্ণ, বেলেগ চেয়াৰম্যান থাকে নেকি ?

(উত্তৰ নাই)

**Shri RANENDRA NARAYAN BASUMATARI : How many minority incumbences are there in the Grade III and IV ?**

**Shri LAKHYADHAR CHOUDHURY ( Minister, Education ) : I find in the list Grade III absolutely nil. There are only 2/3 persons in the Grade IV.**

Shri ALTAF HUSSAIN MAJUMDAR : Sir, is the Minister aware that Muslim population in Cachar is 40% and there are other minorities like Christian and others ?

Shri LAKHYADHAR CHOUDHURY ( Minister, Education ) : Yes Sir, it is in my knowledge.

শ্ৰীচামছুল হুদা ঃ মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে কেন্দ্ৰীয় চৰকাৰৰ চাৰ্কুলাৰ আৰু নিৰ্দ্দেশ থকা স্বত্তেও পপুলেশ্যন পেটাৰ্ন ৰিফ্লেক্ট কৰা নহল আৰু চাৰ্কুলাৰ ভায়োলেট কৰাৰ কাৰণে কোন দায়ি সেইটো জনাব নে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ সেইটো উলিয়াবলৈ আশা কৰি আছো।

শ্ৰীগিয়াচুদ্দিন আহমদ ঃ মন্ত্ৰী মহোদয়ে কৈছে যে তেখেত সেই কলেজ খনৰ সম্পূৰ্ণ চেয়াৰম্যান এতিয়ালৈকে হৈ উঠিব পৰা নাই কাৰণে তাৰ ভিতৰুৰা নিয়োগৰ কথাবিলাক জানিব পৰা নাই। মই এই কথা জানিব পাৰোনে যিবিলাক শিক্ষা প্ৰতিষ্ঠান অসম চৰকাৰৰ অধীনত চলি আছে তাত মন্ত্ৰী মহোদয়ৰ চকুৰ অবগতে চেক্ৰেটাৰী আৰু ডাইৰেক্তৰে সকলো ঠাইতে সংখ্যালঘু সম্প্ৰদায়ৰ মাজত চক্ৰান্ত অন্যায় কৰা হৈছে, এই কথা জানেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ এইটো সকলোক্ষেত্ৰতে স্বীকাৰ কৰিবলৈ মই অপাৰগ।

**বি ঃ ডিব্ৰুগড় বান্ধ**

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে ঃ

*২৯। **মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ** মন্ত্ৰী মহোদয়ে অনুগ্ৰহ **কৰি জনাবনে—**

(ক) ডিব্ৰুগড় বান্ধৰ বাবে কিমান **টকা** মঞ্জুৰ কৰা হৈছে ?

(খ) বান্ধৰ কাম আৰম্ভ হৈছে নেকি ?

শ্ৰীৰমেশ মোহন কুলি বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৯। (ক)—মাইজানৰ পৰা মোহনঘাটলৈকে থকা ডিব্ৰুগড়ৰ বান্ধটো ওখ আৰু শক্তিশালী কৰাৰ বাবে ৩৪,৬৬,৬০০ টকা মঞ্জুৰ কৰা হৈছে, ইয়াৰ উপৰিও এই বান্ধটো হিলৈদাৰী আলিৰ কাষে কাষে উৰ্জানিলৈ সম্প্ৰসাৰণ কৰাৰ বাবে ১৫,৬৮,০০০ টকা মঞ্জুৰ কৰা হৈছে।

(খ)—এই কাম যোৰা জানুৱাৰী মাহত আৰম্ভ কৰা হৈছে ।

শ্ৰীভদ্ৰেশ্বৰ গগৈ ঃ অধ্যক্ষ মহোদয়,যি টকা মঞ্জুৰ কৰা হৈছে সেই টকাৰে বান্ধ সম্পূৰ্ণ হব বুলি চৰকাৰে ভাবে নেকি ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, যিখিনি টকা মঞ্জুৰ কৰা হৈছে সেই টকাৰে প্ৰায় কাম সম্পূৰ্ণ হৈছে আৰু বিশেষকৈ হিলৈধাৰী বান্ধটো সম্পূৰ্ণ হৈছে। ডিব্ৰুগড়ৰ বান্ধটো ওখ আৰু শক্তিশালী কৰাৰ কাম প্ৰায় ৯৫ শতাংশ কামশেষ হৈছে।

শ্ৰীভদ্ৰেশ্বৰ গগৈ ঃ এইটো সচাঁনে যে বান্ধত মাটি নিদি ব্ৰহ্মপুত্ৰৰ বালিৰে বন্ধা হৈছে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ হয় ব্ৰহ্মপুত্ৰত যিটো বান্ধ দিয়া হৈছে সেইটো শক্তিশালী কৰাৰ কাৰণে বালি দিয়া হৈছে।

Shri RANEN RA NARAYAN BASUMATARI : From the Minister's reply it appears that bund will cost about 50 lakhs of rupees. Will the Minister please state as to what the total length of the bund and how long that bund will continue ?

Shri RAMESH MOHAN KOULI ( Minister ) : The total length of the Hilaidhari bund is 4.72 KM and the length of the original bund which has been taken up for raising and strengthening is 8 85 Km.

শ্ৰীভদ্ৰেশ্বৰ গগৈ ঃ বান্ধটো বালিৰে বান্ধিছে বুলি মন্ত্ৰী মহোদয়ে কৈছে। গতিকে বালিৰে বান্ধিবলৈ বিশেষজ্ঞই নিৰ্দ্দেশ দিছিল নেকি ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ বালিৰে বন্ধাৰ নিয়ম আছে। সাধাৰণতে মথাউৰি ওখ আৰু শকত কৰিবৰ কাৰণে ওচৰে-পাজৰে থকা মাটি দিয়া হয় আৰু তাৰ ৰেট হৈছে চাৰি টকা। আৰু বালি যিহেতু ওচৰতে থাকে সেইকাৰণে বালিও দিয়া হয়। লিকতিয়া মাটি ট্ৰাকেৰে আনিব লাগে আৰু তাৰ ৰেট ১১-১২ টকা। এইদৰে অইন ঠাইতো কৰা হৈছে।

শ্ৰীঅতুল গোস্বামী ঃ লিকতিয়া মাটিৰ ওপৰত বালি দিছেনে বালিৰ ওপৰত লিকতিয়া মাটি দিছে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ বালি দিয়া হৈছে এক মিটাৰৰ পৰা দুই মিটাৰ উচ্চতালৈকে। আৰু তাৰ ওপৰত ৯ ইঞ্চিৰ পৰ এক ফুটলৈকে লিকতিয়া মাটি দিয়া হৈছে।

শ্ৰীগোলোক ৰাজবংশী ঃ এই বান্ধটোৰ নাম বালিৰ বান্ধ হব নেকি ?

শ্ৰীঅতুল গোস্বামী ঃ সাধাৰণতে বান্ধৰ মাটিবিলাক টান মাৰিবলৈ ১০-১৫ দিন মান লাগে। গতিকে ব্ৰহ্মপুত্ৰৰ পৰা দিয়া বালি বিলাক ৰতাহত উৰাই নিনিয়ে নেকি ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ এইটোৰ নাম বালিৰ বান্ধ নহয়, ডিব্ৰুগড় বান্ধ। দ্বিতীয় প্ৰশ্নৰ উত্তৰ হৈছে মথাউৰিৰ ওপৰত১-২ মিটাৰলৈ বালি দিয়াৰ পিচত তাৰ ওপৰত ৯ ইঞ্চিৰ পৰা এক ফুটলৈকে আলতিয়া মাটি দিয়া হয়। গতিকে বালিৰ ওপৰত আলতিয়া মাটি দিয়া বাবে বতাহে উৰুৱাই নিব নোৱাৰে ।

শ্ৰীঅতুল গোস্বামী ঃ মন্ত্ৰী মহোদয়েযিটো ফিগাৰ দিছে সেইটো মথাউৰি সম্পূৰ্ণ হোৱাৰ পিচত জুখি দিছে নে ?

* শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ সম্পূৰ্ণ হোৱাৰ পিচত জোখা হৈছে আৰু তাৰ পিচত ফিগাৰটো দিয়া হৈছে।

*শ্ৰীকুলবাহাদুৰ ছেত্ৰী: বালিৰ ওপৰত ৯ ইঞ্চিৰ পৰা এক ফুটলৈকে মাটি দিয়া বুলি কৈছে। কিন্তু মই জনাত সেইটো নহয়। এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী): কোন কোন ঠাইত ৯ ইঞ্চিৰ কম হৈছে সেইটো মাননীয় সদস্যই কৈ দিলে দেখা যাব।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী: কাছাৰীৰ ওচৰতেই চালে গম পাব।

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী): তাতমই নিজেই চাই আহিছো।

শ্ৰীগোলোক ৰাজবংশী: মন্ত্ৰী আৰু সদস্যৰ মাজত মতভেদ হৈছে। গতিকে আমি তৃতীয় পক্ষই গৈ চাম নেকি ? (হৰ্ষধ্বনী)

**Re : Assam Public Service Commission.**

Shri RANENDRA NARAYAN BASUMATARI asked:

*30. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the Office of the Assam Public Service Commission has been functioning in a rented building at Gauhati ?

(b) If so, how long that aerangement is likely to continue ?

(c) Whether the Government has a definite plan to construct a permanent A.P.S.C. Complex for accommodating its Office, Examination Hall and the whole staff including the Chairman and Members ?

(d) If so, when ?

Shri GOLAP BORBORA (Chief Minister) replied :

30. (a)— Yes. The Office of the Assam Public Service Commission has been functioning in a rented building at Kumarpara, Gauhati since 1st October. 1977. At Capital Complex Dispur also two Government Quarters No. IV/2(1) and IV/II(2) are under the occupation of the A. P. S. C.

(b)—Till alternative arrengements are made.

(c)—Not at present.

(d)—In view of the reply to 'C' above the question does not arise.

Shri RANENDRA NARAYAN BASUMATARI : Is the hon Chief Minister aware that because of the non-exisitence of examination hall an accommodation for inerviews the A P S.C. has been facing a lot of difficulties in conducting the examination ? The A P.S.C. has to approacih the educational institution for closing down session of the schools and colleges for making room for the A.P.S.C. examinations

Shri GOLAP BORBORA (Chief Minister) : Yes, we were aware

শ্রীদেবানন্দ বৰা : বিল্ডীং কৰিবৰ কাৰণে ইয়াৰ আগৰ চৰকাৰে কিবা পৰামৰ্শ দিছিল নেকি ?

* Shri NURUL HUDA : Considering the acute shortage of residential accommodation in the capital complex will the Government take necessary steps to shift the A.P.S.C. office elsewhere ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) : সেইটো বিবেচনা কৰিব চাম।

শ্রীচামচন্দ হুদা : এ,পি,এচ, চি বিল্ডীংৰ কথাযে কৈছে, তাত চেয়াৰমেন আছেনে নাই ?

* মাননীয় অধ্যক্ষ: সেইটো বেলেগ প্রশ্ন ।

Shri RANENDRA NARAYAN BASUMATARI : How long it will take to finalise the master plan ? Whether Government is aware that the Master Plan has already been submitted but the formalities are yet to be completed ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) : সেইটো বিবেচনা কৰি আছো।

Mr. SPEAKER : Order, order the questions are over. Honourable members may put supplementaries to unstarred questions. Now, unstarred question No. 1

**বিঃ জাগীভকত গাঁৱৰ পৰা কাজলী চকি আৰু জাগীৰোডৰ পৰা মৰিগাঁওলৈ যোৱা পথত যান-বাহন চলাচল**

শ্রীপ্রসাদ চন্দ্র দলৈয়ে সুধিছে :

১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

জাগী ভকত গাঁৱৰ পৰা কাজলী চকি পৰ্য্যন্ত আৰু জগীৰোডৰ পৰা মৰিগাঁও পৰ্য্যন্ত গড়কাপ্তানী বিভাগৰ ৰাস্তাকেইখণ্ডত বছৰৰ সকলো সময়তে যান-বাহন চলাচল কৰিব পৰা কিবা আঁচনি গ্রহণ কৰিছেনে ?

শ্রীদুলাল চন্দ্র বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

১। জাগীৰোডৰ পৰা মৰিগাঁৱলৈ যোৱা পথছোৱাত বছৰৰ সকলো সময়তেই যানবাহন চলাচল কৰিব পাৰে আৰু এই পথছোৱাৰউন্নয়নৰ কাৰণে বৰ্ত্তমানে কোনো আঁচনি হাতত নাই ।

জাগী ভকত গাঁৱৰ পৰা কাজলী চকিলৈ যোৱা পথ কেৱল খৰালি কালতহে যান-বাহন চলাচলৰ বাবে উপযোগী। ভূৰাগাঁও আৰু কাজলী চকিৰ মাজত E & Dৰ বান্ধ নথকাৰ বাবে এই পথছোৱা বাৰিষা ব্রহ্মপুত্রৰ বানপানীৰ কবলত পৰে। গতিকে বাৰিষা এই পথত যান-বাহন চলাচলত ব্যাঘাট ঘটে।

এই পথছোৱা উন্নয়নৰ কোনো আঁচনি বৰ্ত্তমান হাতত নাই ।

*শ্ৰীচামচৰণ হুদা ঃ জাগীৰোডৰ পৰা মৰিগাঁৱলৈ যোৱা পথছোৱাত বছৰৰ সকলো সময়তেই যান-বাহন চলাচল কৰিব পাৰে আৰু এই পথছোৱাৰ উন্নয়নৰ কাৰণে এই বছৰত কোনো আঁচনি হাতত নাই। চৰকাৰে এই পথছোৱাৰ উন্নয়নৰ কাৰণে প্ৰয়োজন বোধ কৰিছে নে ? যদি কৰিছে তেনেহলে প্ৰয়োজন অনুসৰি কাম হাতত লব নে ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ নিশ্চয় কৰিছে, টকা-পইচাৰ সুবিধা হলেহে লব পৰা হব আৰু আমাৰ যিবিলাক চাব-ডিভিজনেল ৰোড বোৰ্ড আছে সেই বোৰ্ডে ৰিকোমেন্ড কৰিলেহে সেই কাম হাতত লব পাৰিম।

*শ্ৰীবানেশ্বৰ শইকীয়া ঃ জাগীৰোডৰ পৰা মৰিগাৱলৈ ৰাস্তা ব্লেক টপিং কৰাৰ কাৰণে চাব-ডিভিজনৰ পৰা কিবা প্ৰস্তাৱ আহিছে নেকি ? আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা যিটো টকা ইতিমধ্যে আহিছে সেইটো ব্লেক টপিংৰ কাৰণে তাত খৰচ কৰিব পৰা হব।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ প্ৰস্তাৱ আহিছে হয় সচাঁ কিন্তু টকা-পইচাৰটো কথা আছে। তাৰোপৰি আমি চাব-ডিভিজন ৰোড বোৰ্ডৰ ৰিকোমেন্দেশ্যনৰ কাৰণে বাট চাই আছো।

*শ্ৰীবানেশ্বৰ শইকীয়া ঃ এই বিলাক আকৌ পলিটিকেল বেচিচত কৰা হয় নেকি ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ আগতে কৰা হৈছিল নেকি কব নোৱাৰো, কিন্তু এতিয়া তাত সদস্য সকলৰ বাহিৰেও এক্সপাৰ্ট থাকিব। ইয়াত কোনো পলিটিকেল কালাৰ নাই।

*শ্ৰীগিয়াচুদ্দীন আহমদ ঃ যি টকা এলোটমেন্ট হব সেইটো ৰীণ হিচাবে দিয়া হব নে আৰু যি বিলায় এলেকা অত্যন্ত পিছপৰা সেইবিলাকত প্ৰায়ৰিটি দিয়া হব নে ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃইয়াতযিটো বৈষম্য আছিল সেইটো গুচাবৰ কাৰণেই চৰকাৰে বিবেচনা কৰি আছে।

**ৰি৹ ধৰ্নশিমলুৰ পৰা কাছশিলা হিলৈখুন্দালৈ মথাউৰি**

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈয়ে সুধিছে ঃ

২। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে ধৰ্নশিমলুৰ পৰা কাছশিলা হিলৈখুন্দালৈ ১৯৭৮-৭৯ চনৰ ভিতৰতে মথাউৰি খণ্ড বন্ধা কাম আৰম্ভ কৰিব নে ?

(খ) যদি নকৰে তেনেহলে ইয়াৰ কাৰণ কি ?

শ্ৰীৰমেশ মোহন কুলি (বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২। (ক) আৰু (খ)—পৰীক্ষাধীন অৱস্থাত থকা এই আঁচনিখন অনুমোদিত হলে. লাগতীয়াল ধনৰ মঞ্জুৰী সাপেক্ষে কামটো হাতত লব পৰা হব ।

*Speech not corrected.

**বিঃ মান্তাৰবাড়ি আৰু দিকচাং বেলৰে দলঙৰ মাজত থকা মঠাউৰিত শ্লুইচ গেত**

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈয়ে সুধিছে ঃ

৩। মাননীয় বাননিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কাঁপিলি নদীৰ উত্তৰ পাৰে মন্তাবাড়ি আৰু দিকচং বেলৰে দলঙৰ মাজত থকা মথাউৰিৰ খণ্ডৰ শ্লুইচ গেটটো নিৰ্ম্মাণ কৰাৰ আঁচনি হাতত লৈছেনে ?

(খ) যদি লৈছে তেনেহলে ১৯৭৮-৭৯ চনৰ ভিতৰত এই কাৰ্য্য হৈ উঠিবনে ?

শ্ৰীৰমেশ মোহন কুলি (বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩। (ক)—এই আঁচনি এতিয়ালৈকে হাতত লোৱা হোৱা নাই ।

(খ)—ওপৰোক্ত প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

* শ্ৰীপ্ৰসাদ দলৈ ঃ পৰীক্ষাধীন অৱস্থা আৰু কিমান বছৰ থাকিব ?

* শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ ১৯৭৩-৭৪ চনত ২৫·১০ কিলোমিটাৰৰ কাৰণে প্লেন কৰা হৈছিল। ইতিমধ্যে ২৩·৫০ কিলোমিটাৰ ব্ৰহ্মপুত্ৰই খহাই নিলে। ইয়াত যি এলেকাৰ কথা উল্লেখ কৰা হৈছে তাৰ ভিতৰত বিশেষকৈ যিখিনি কাম আৰম্ভ কৰিব পৰা নাই সেই অঞ্চলত পানী হৈ থকাৰ কাৰণে অসুবিধা হৈছে। ধনশিৰি মুখৰ পৰা হিলৈখুন্দালৈকে মথাউৰি কৰা হৈছিল ১৯৭৩ চনৰ জুন মাহতেই। প্ৰায় ২·৬১ কোটি টকাৰ এষ্টিমেট কৰা হৈছিল। বান নিয়ন্ত্ৰণ বিভাগৰ বোৰ্ডত চতুৰ্থ বৈঠকত এই এষ্টিমেটৰ প্লেনৰ বিষয়ে এপ্ৰুভ কৰা হৈছিল। কিন্তু প্লেনিং কমিচনৰ পৰা ক্লাৰিফিকেচন নোহোৱাৰ কাৰণে কামটো পৰি আছে।

* শ্ৰীঅতুল গোস্বামী ঃ সেই ঠাইত মথাউৰি নালাগে বুলি কংগ্ৰেছৰ এজন নেতাই ৰাজহুৱা প্ৰস্তাৱ লৈ তাত বিল বনাই মাছ ধৰাৰ ব্যৱস্থা কৰিছে। চৰকাৰে এই কথা জানেনে ?

* শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ তেনে দৰখাস্ত প্ৰস্তাৱ আকাৰে আমি পোৱা নাই। প্লেনিং কমিচনে ক্লিয়াৰেন্স নিদিয়াৰ কাৰণে ইমান পলম হৈছে।

* শ্ৰীবানেশ্বৰ শইকীয়া ঃ অসম চৰকাৰে ধনশিমলুৰ পৰা হিলৈখুন্দালৈ এই মথাউৰিৰ উদ্দেশ্যে ২·৯০ কোটি টকাৰ আঁচনি ধৰি দিছিল।

* শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ সেইটো কথা হয়। কিন্তু প্লেনিং কমিচনে ক্লিয়াৰেন্স দিব লাগে। বাননিয়ন্ত্ৰণ বোৰ্ডে এইটো এপ্ৰুভ কৰি দিছে। কিন্তু প্লেনিং কমিচনে ক্লিয়াৰেন্স নিদিয়ালৈকে বোৰ্ডৰ ৫০ লাখৰ ওপৰত কাম কৰিববলৈ ক্ষমতা নাই।

* শ্ৰীবানেশ্বৰ শইকীয়া ঃ ৫০ লাখৰ ওপৰত যদি কাম কৰিব নোৱাৰে তেতিয়াহলে এই কামটো কিমান দিন বন্ধ হৈ থাকিব। যিহেতু যোৱা ৩ বছৰ পাৰ হৈ গলেই। প্লেনিং কমিচনে ২·৯০ কোটি টকাৰ ক্লিয়াৰেন্স নিদিলে এই কাম কি যুগ ধৰি পৰি থাকিব নেকি ? আৰু অসম চৰকাৰো বহি থাকিব নেকি ?

*শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী): বান নিয়ন্ত্ৰণ বোৰ্ডত এই বিষয়ে আলোচনা হৈছে। প্লেনিং কমিচনে ক্লিয়াৰেন্স নিদিয়াৰ কাৰণে কামটো পৰি আছে। এইবাৰ পুনৰ ক্লিয়াৰেন্স লবৰ কাৰণে বান নিয়ন্ত্ৰণ বোৰ্ডত এই বিষয়ে আলোচনা কৰা হব। যদি প্লেনিং কমিচনৰ ক্লিয়াৰেন্স পোৱা নাযায় তেতিয়াহলে এই ৫০ লাখ টকাৰ ভিতৰতে যিখিনি কাম কৰিব পৰা যায় সেইখিনি কৰা হব।

Mr. SPEAKER : Now, Shri Ramoni Barman, Minister of State, will give a statement.

শ্ৰীৰমণী বৰ্ম্মণ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, কালি মোৰ এটা প্ৰশ্নৰ উত্তৰত খেলি মেলি হৈছিল তাৰ মই স্পষ্টীকৰণ দিছো। চৰকাৰী চাকৰি কৰি থকা অৱস্থাত ৰাজনৈতিক পেঞ্চন দিয়াৰ কথা বিবেচনা কৰা হোৱা নাই। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ যি সকল কৰ্ম্মচাৰীয়ে বছৰেকীয়া আয় পাচ হেজাৰ টকাৰ অধিক নহয় তেওঁলোকে প্ৰচলিত নিয়ম মতে ৰাজনৈতিক পেঞ্চন পোৱাত বাধা নাই।

---

## NOTICE OF BREACH OF PRIVILEGE

Mr. SPEAKER : I have received a complaint of breach of privilege from Shri Golak Rajbongshi against the Chief Minister. In order to give my decision as to whether there is a prima-facie case, I want to hear both the sides.

শ্ৰীগোলোক ৰাজবংশী :– মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ১৫৮,১৫৯ নিয়ম মতে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীগোলাপ চন্দ্ৰ বৰবৰাই আৰু অসম চৰকাৰৰ ছপাশালৰ মুদ্ৰাকৰৰ বিৰুদ্ধে বিশেষ অধিকাৰ ভংগৰ অভিযোগ কৰা হৈছে।

মহোদয়, যোৱা বিধান সভাত ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপিত ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত অসমৰ মুখ্যমন্ত্ৰী মাননীয় শ্ৰীগোলাপ চন্দ্ৰ বৰবৰাই ৩০—৩—৭৮ তাৰিখে বিধান সভাৰ মজিয়াত দিয়া উত্তৰৰ "বহুলাংশ উদ্ধৃতি" বুলি অসম চৰকাৰী ছপাশালত মুদ্ৰিত "অসমক সুন্দৰকৈ গঢ়িবৰ বাবে" শিৰ্ষক পুস্তিকাখনৰ প্ৰকাশে এই সদনৰ মৰ্য্যাদা হানি কৰাত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু নিয়মাৱলীৰ ১৫৮ আৰু ১৫৯ নিয়মমতে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা আৰু অসম চৰকাৰী ছপাশালৰ মুদ্ৰাকৰৰ ওপৰত বিশেষাধিকাৰ ভংগৰ অভিযোগ উত্থাপন কৰিলো।

এই অভিযোগ অনাৰ মূল পাচটা কাৰণ মই উনুকিয়াই দিও :

১। মুখ্যমন্ত্ৰীয়ে এই পুস্তিকা প্ৰকাশ কৰোতে সদনত দিয়া উত্তৰ সম্পৰ্কীয় ভাষণৰ সম্পূৰ্ণ প্ৰকাশ নকৰি ভাষণৰ তাৎপৰ্য্য আৰু অৰ্থ বিকৃত কৰিছে।

২।উত্তৰ সম্পৰ্কীয় ভাষণত নোহোৱা কিছুমান কথা যোগ দি ভাষণ উক্তিতকৰা হৈছে।

৩। উত্তৰ দিয়া সময়ত বিধান সভাৰ কেইজনমান সদস্যই বিচৰা স্পষ্টীকৰণ ইয়াত সন্নি-বিষ্ট নকৰি একপক্ষীয় কৰি বিকৃত কৰা হৈছে।

৪। সদনৰ কাৰ্য্যসূচী আৱশ্যকীয় অনুমতি ব্যতিৰেকে এনেদৰে প্ৰকাশ কৰি সদনৰ মৰ্য্যদা হানি কৰা হৈছে।

৫। পুস্তিকাত প্ৰকাশকৰ নাম প্ৰকাশ নকৰি বেআইনী কামেৰে লোকাক্ষত সদনক হেয় প্ৰতিপন্ন কৰা হৈছে।

মহোদয় যোৱা বিধান সভাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত দিয়া ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী শ্ৰীগোলাপ চন্দ্ৰ বৰবৰাই ৩০-৩-৭৮ তাৰিখে সদনৰ মজিয়াত দিয়া ভাষণ উদ্ধৃত কৰি "অসমক সুন্দৰকৈ গঢ়িবৰ বাবে" নামৰ কিতাপখন প্ৰকাশ কৰি এই সদনৰ মৰ্য্যদা হানি কৰাৰ কাৰণে মই অসমৰ মুখ্যমন্ত্ৰী শ্ৰীগোলাপ চন্দ্ৰ বৰবৰাৰ বিৰুদ্ধে সদনৰ বিশেষাধিকাৰ ভংগ কৰাৰ অভিযোগ
আনিছো। এই অভিযোগ অনাৰ মূল কাৰণ হল—তেখেতে তেখেতৰ ভাষণ সম্পূৰ্ণকৈ প্ৰকাশ নকৰা কাৰণে, তেখেতৰ তাৎপৰ্য্য আৰু অৰ্থ বিকৃতাকাৰ কৰিছে। তেখেতৰ বিধান সভাত দিয়া ভাষণ বুলি কিতাপত প্ৰকাশ কৰি তাত কিছুমান নতুন কথা যোগ দিছে। ভাষণত তেখেতে কিতাপত প্ৰকাশ কৰা বহু কথাই উল্লেখ কৰা নাছিল। তেখেতে যি-বোৰ কথা কিতাপত ভাষণৰ পৰা উদ্ধৃত কৰা বুলি উল্লেখ কৰিছে তাক কেতিয়াও তেখেতৰ বিধান সভাৰ ভাষণত উল্লেখ কৰা বুলি কব নোৱাৰি। উত্তৰ দিয়া সময়ত বিধান সভাৰ সদস্য সকলে যিবিলাক স্পষ্টীকৰণ বিচাৰিছিল তাক উল্লেখ নকৰাত মাজে মাজে দুয়োটা লগ লগালে যিটো অৰ্থ হয় স্পষ্টীকৰণ আৰু উত্তৰ নিদিয়াকৈ তাৰ অৰ্থ বেলেগে হয়। আমাৰ এচেম্বলীৰ কাৰ্য্যসূচী প্ৰকাশ কৰিব লাগিলে প্ৰথমতে মাননীয় অধ্যক্ষ মহোদয়ৰ পৰা অনুমতি লব লাগে। মই যেতিয়া ২ মে' তাৰিখত ভাষণৰ এটা প্ৰতিলিপি বিচাৰিছিলো তেতিয়ালৈকে অনুমতি লোৱা কোনো কথা নাছিল। গতিকে তেখেতে বিনা অনুমতিত তেখেতৰ ভাষণ প্ৰকাশ কৰি বিধান সভাৰ আইন ভংগ কৰিছে। ইয়াৰ উপৰিও ইণ্ডিয়ান প্ৰেছ এক্ত অনুসৰি কোনো কিতাপ প্ৰকাশ কৰিলে বিশেষকৈ প্ৰকাশকৰ নাম তাত সন্নিবিষ্ট হব লাগিব। কিন্তু মুখ্যমন্ত্ৰীয়ে তেখেতৰ ভাষণ উদ্ধৃত কৰি লেখা কিতাপখনত কোনো প্ৰকাশকৰ নাম উল্লেখ কৰা হোৱা নাই। এইটোও এটা বে-আইনী কথা হৈছে। এখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়েই যদি বে-আইনী কাম কৰে তেন্তে জনসাধাৰণৰ চকুত সদনৰ নাম বেয়া হয়। সেই কাৰণে মই এই বিশেষাধিকাৰ ভংগৰ প্ৰস্তাৱ আনিছো।

"অসমক সুন্দৰকৈ গঢ়িবৰ বাবে" বাক্যোকৈ গঢ়িবৰ বাবেই তেখেতে যি কিতাপ প্ৰকাশ কৰিছে তাৰ বহুখিনি কথাই তেখেতৰ বক্তৃতাৰ পৰা উদ্ধৃতি কৰা হোৱা নাই। অকল সেয়ে নহয় কিতাপত যিখিনি শিৰোনামা দিয়া হৈছে সেই শিৰোনামাও তেখেতৰ ভাষণত নাছিল। যেনে জনতা চৰকাৰ সংখ্যা লঘু চৰকাৰ নহয়— বক্তৃতাত তেনে কোনো শিৰোনামা নাই। জনজাতীয় লোকৰ অৰ্থনৈতিক সমস্যা উদয়াচলৰ দাবী মূল কাৰণ এই শিৰোনামা বক্তৃতাত নাই। "জৰুৰী অৱস্থাৰ অতিশৰ্য্য তদন্ত কৰা হব" —এই শিৰোনামা বক্তৃতাত নাই। "শিক্ষা ৰাজনীতিৰ হাঠিয়াৰ আৰু নহয়" এই শিৰোনামা বক্তৃতাত নাই। "কৰ্ম্ম সংস্থানৰ ক্ষেত্ৰত নতুন আঁচনি"— এই শিৰোনামা বক্তৃতাত নাই। "ভূমি ব্যৱস্থাৰ খেলি মেলি দূৰ কৰা হব" — এই শিৰোনামা বক্তৃতাত নাই। "কৃষি উৎপাদন বঢ়োৱাত গুৰুত্ব আৰোপ — এই শিৰোনামা বক্তৃতাত নাই। "সংখ্যা লঘু সকললৈ আশ্বাস" এই শিৰোনামা বক্তৃতাত নাই। সকলোতকৈ ডাঙৰ

কথা তেখেতে সদস্য সকলক কিতাপ খনত আৰম্ভণিতে বন্ধু সকল বুলি সম্বোধন কৰা নাই কিন্তু সাধাৰণত সদস্য সকলক তেখেতে বন্ধু বুলি সম্বোধন কৰিছে— যেন পাৰিক মিটিঙতহে এড্ৰেছ কৰিছে। গতিকে দেখা যায় কিতাপৰ বহুলাংশই তেখেতৰ ব্যক্তিগত মতামত। আৰু বক্তৃতাতকৈ অন্য কথা বক্তৃতাৰ পৰা উদ্ধৃত কৰা বুলি কৈছে। ইয়াত ৬ বিঘা ৩ বিঘা যিটো কথা কৈছে সেইটো ষ্টেটাচকু” মেইনটেইন কৰিব লাগে। এইটো হৈছে ভইচ। এই বিলাক যে বিবৃতি দিছে তাত আমি কিছুমান স্পষ্টীকৰণ বিচাৰিছিলো সেইবিলাক সান্নিবিষ্ট কৰিলে এতিয়া কিতাপৰ পৰা যিটো বুজিছো সেইটো নবুজালেহেতেন। ভাষণ দিয়াৰ সময়ত শ্ৰীগিয়াছুদ্দিন আহমদ, শ্ৰীমুকুট শৰ্মা, শ্ৰীফনী মেধী, শ্ৰীৰনেণ বসুমতাৰী, শ্ৰীআব্ৰাম হুছেইন আৰু মই কিছুমান স্পষ্টীকৰণ বিচাৰিছিলো। এই স্পষ্টীকৰণ বিলাক কিতাপত সন্নিবিষ্ট নকৰাত কিতাপৰ উদ্ধৃতিটো একপাক্ষিক হৈছে। আৰু বহু সময়ত তেখেতৰ নিজৰ ব্যক্তিগত মতামত প্ৰকাশ কৰিছে। আৰু এই কাৰণে এই পুস্তিকাই সদনৰ এটা বিশেষ অধিকাৰ ভংগ কৰিছে।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী):—মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ যেৱা মাৰ্চ মাহত অনুষ্ঠিত বাজেট অধিবেশনত ৰাজ্যপালৰ ভাষণৰ ওপৰত চলা বিতৰ্ক সন্দৰ্ভত মই যোৱা ত্ৰিশ মাৰ্চ তাৰিখে যি সমিধান দিছিলো তাত জনতা চৰকাৰৰ নীতি, দৃষ্টিভঙ্গী আৰু কাৰ্য্যসূচীৰ কথা বিস্তৃতভাৱে নহলেও স্পষ্টভাৱে উল্লেখ কৰিছিলো। চৰকাৰৰ নীতি আৰু কাৰ্য্যসূচী সম্বন্ধে আমাৰ ৰাজ্যখনৰ জনসাধাৰণক অৱগত কৰাৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখিয়েই মুখ্যমন্ত্ৰীৰ উক্ত ভাষণৰ বহুলাংশ পুস্তিকা আকাৰে প্ৰকাশ কৰা হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে এই পবিত্ৰ সদনত দায়িত্বসহকাৰে দিয়া ভাষণৰ ওপৰত এফালে যেনেকৈ সৰ্ব্বসাধাৰণ ৰাইজে অতি গুৰুত্ব দিয়ে সেইদৰে তেনে এটা দায়িত্বশীল ভাষণত উল্লেখিত নীতি আৰু কাৰ্য্যসূচীয়েও চৰকাৰৰ লগত সংশ্লিষ্ট সকলোকে সচেতন আৰু সজাগ কৰি তোলে।

সমিধান সম্বলিত পুস্তিকাখনিত সদনত দিয়া ভাষণ হুবহু ভাৱে প্ৰকাশ কৰা হোৱা নাই যদিও উক্ত ভাষণৰ তাত্পৰ্য্য আৰু অৰ্থৰ কোনো প্ৰকাৰে বিকৃত কৰা হোৱা নাই। পুস্তিকা খনিত ভাষণৰ যিখিনি অংশ বাদ দিয়া হৈছে সেই খিনিয়ে ভাষণৰ কোনো ধৰণৰ বিকৃতি আনিছে বুলি ভবা হোৱা নাই।

উত্তৰদান প্ৰসঙ্গত যিখিনি কথা কৈছিলো তাৰ বাক্য গাঠনিতো কোনো সালসলনি নকৰাকৈয়ে কিতাপখনি প্ৰকাশ কৰা হৈছে। অৱশ্যে পঢ়ুৱৈৰ সুবিধাৰ্থে পুস্তিকা খনিত মাজে মাজে উপশিতান বা চাব-হেডিং দিয়া হৈছে। মূল ভাষণৰ বাক্যৰ ওপৰত কোনো প্ৰকাৰৰ হাত বুলোৱা হোৱা নাই যদিও কৰবাত দুই এটা হয়তো ছপাশালৰ ভুল থাকি যাব পাৰে। কিন্তু ভাষণৰ মূল কথাখিনিৰ কোনো ক্ষেত্ৰতেই বিকৃতি ঘটোৱা নাই।

পুস্তিকা খনিত আৰম্ভণিতেই উল্লেখ কৰা মতে মুখ্যমন্ত্ৰীৰ ভাষণৰ হুবহুৰূপ প্ৰকাশ কৰা হোৱা নাই। ৰাইজক চৰকাৰৰ নীতি আৰু কাৰ্য্যসূচী সম্বন্ধে অৱগত কৰাই যিহেতু কিতাপখন প্ৰকাশ কৰাৰ উদ্দেশ্য সেই হেতুকে বিধান সভাৰ কাৰ্য্যবিৱৰণীত ঠাই পোৱা সকলো কথাকেই সন্নিবিষ্ট কৰা হোৱা নাই। মুখ্যমন্ত্ৰীয়ে ভাষণ দি থকাৰ সময়ত সদনত মাননীয় সদস্য কেইজনমানে যি স্পষ্টীকৰণ বিচাৰিছিল সেইখিনি কিতাপ খনিত উল্লেখ কৰা হোৱা নাই। এনে কৰাৰ উদ্দেশ্য আন একো নহয়। আগতে কোৱাৰ দৰে মূল ভাষণৰ বিকৃতি নঘটোৱাকৈ কাৰ্য্যসূচী আৰু নীতিৰ কথা ৰাইজক অৱগত কৰাটোৱেই এই পুস্তিকৰণৰ উল্লেখ কৰা কথাখিনিও সন্নিবিষ্ট কৰা হোৱা নাই।

এই পুস্তিকা খনি প্ৰকাশ কৰিবলৈ লওতে যাৱতীয় অনুমতি আগতে ই লোৱা হৈছিল। ভাষণৰ মূললিপিও বিধান সভাৰ সচিবালয়ৰ পৰাই সংগ্ৰহ কৰা হৈছিল।

চৰকাৰী ছপাখানাত ছপোৱা প্ৰতিখন পুস্তিকাৰে কিছুমান এডভান্স কপি তথ্য আৰু জনসংযোগ বিভাগক কিতাপ খনৰ ছপাৰ কাম সম্পূৰ্ণ শেষ নৌহওঁতেই দিয়া হয়। এই এডভান্স কপিৰ সংখ্যা এশ বা দুশৰ ভিতৰত হব। এই এডভান্স কপিত কিবা ক্ৰুটি ধৰা পৰিলেই মূল কপি বিলাক শুধৰাই পোলোৱা হয়। বৰ্ত্তমান ক্ষেত্ৰতো প্ৰথমতে পোৱা এডভান্স কপিত প্ৰকাশকৰ নাম নথকা দেখি মেইন কপি বিলাকত শুধৰাই দিয়া হয়।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী :— অনুমতি লোৱা বুলি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে কিন্তু কেতিয়া লৈছিল ?

Shri DULAL CHANDRA BARUA (Minister) : Mr. Speaker Sir, I want to - - -

শ্ৰীশৰত চন্দ্ৰ সিংহ : কোন সময়ত অনুমতি দিয়া হৈছিল তাৰিখটো জনাব লাগে।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—বেলেগ নোটিচ লাগিব।

শ্ৰীশৰত চন্দ্ৰ সিংহ :— নোটিচ কিয় লাগে এইটো দি দিব পাৰে।

*Mr. SPEAKER : Sceretary will give the exact date later on

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :—অধ্যক্ষ ডাঙৰীয়া, বিশেষাধিকাৰ ভঙ্গৰ প্ৰস্তাৱ দাঙি ধৰি মাননীয় সদস্য গৰাকীয়ে কৈছে যে মে মাহৰ দুই তাৰিখে অনুমতি লৈছিল কিন্তু কিতাপখন তাৰ আগতে ছপা হৈছিল গতিকে কোন তাৰিখত অনুমতি লোৱা হৈছিল সেই কথাটো বিশেষাধিকাৰ ভংগৰ লগত জড়িত। দুই মে তাৰিখত অনুমতি লোৱাৰ আগতে কিতাপখন প্ৰকাশ হৈছে কিন্তু তাৰিখটো আমাক সদনত জনালে বিবেচনাৰ সুবিধা হয়।

Mr. SPEAKER—We not going to the merit of the case. I have heard the case. I do not like to hear anything more. I will give my ruling latar on. Now, the Minister for Parliamentary Affairs may speak

Shri DULAL CHANDRA BARUA (Minister)—Mr. Speaker. Sir, The main objections raised by the hon,ble member are—( i ) that the Chief Minister has printed his speech keeping only his own portion of the speech not meeting the clarification furnished by him during the course his reply to the Governor's address. This is one sided which amounts to distrortion of speech. (ii) That the chief Minister has brought some new matt rs which were not originally mantiored in the speech (iii) That the name of the publisher has not been mantioned; and (iv) there is no provision in the Rules of Procedure and Conduct of Business which permits such publication. And by doing this, the Chief Minister has committed the breach of privil ge of the House. Now, as regards the first point, Sir, generally in the Gover n's Address the policy of the Government is embodied and when Chief Mini-

ster reples to the debate on such Address he outlined the policies and programmes of the the Government. Therefore, the Cheif Minister with a view to giving full information about the policies and programmes taken up by the new Government to the people it was considered nece ssary to publish that por ion of his speech in form of a book et. By publication of the speech Chief Minister wanted the public to know how the new Government is going to implement their schemes and programmes. Accordingly, the Chief, Minister, with your permition, obtained a copy and that has been handed over to the Director of Information and public Relation and he in this turn has published and circulated to all concerned. Therfore, the first point raised by the honeramble member in his complain cannot stand. As regard the aleged omission and distortion of the speech by not mentioning the clarification, after going through the speech I find, these clarification are not co-related with the speech that has been delivered by the Chief Minister. He wanted to keep up the continuity of the speech as well as to make it a clear one so that people can underst nd easily the Governments policies and progammes. Therefore, the question of distortion which amounts to a breach of privilege does not arise at all. About binging up new matter, nothing was found new. Whatever th Chief Minister has stated it has een iucorporated in the printed speech Only the word 'crore' has been substituted for 'thousand' just to make the figure correct. Therefore, the intention of the Chief Minister was bona-fide. There was nothing which could undermine the prestige of the august House so also the Chair. Now about the authority of publication, the Directorate of Information and Public Relation is there. They are responsible for publication of Government leaftets, policies and programmes of the Government and circulate to press and public. In the previous Government also this Department has been used for various publication even they have used the Department in an extreme form. But the present Government is not going to use it in that extreme from. The Publicity department is meant to publicise the programmes and policies of the Government, and also about the steps, taken by the Government for its implementation. With that end in view, the department of Information and Public Relations have published it in their name so that there would be no question of raining any objection to it.

Shri GOLOK CH. RAJBONGSHI—It is not clear.

Shri DULAL CH. BARUA.- The booklet is available. The Publicity department has been given statutory powers by this House to publish government documents in their own name, and so. the question of author or publisher, which has been raised, cannot stand. There is no such Rule in the international parliamentary practice or such practice has not been followed by the Indian Parliament, British Parliament or Amarican Parliament, which obstructs or debar any hon. member to take copy of the speech and publish it at their own risk. The only question is that he or she is to take the permission from the Speaker for the same. The Rule is very much clear about this. Page 558 Kaul's Practice state—' the copy right of re-production of any material from the debate passed in the Secretary, under Copy Right Act. Applications for permission for reproduction from the debate are received of and or from individuals and institutions and permission is

granted after considering each case on its merit.' So, you were kind enough to consider the case after receiving the petition from the hon. Chief Minister and after thorough examination and scrutiny you had permitted to take portion of proceedings for the purpose in question.

The refore, the arguments put forward by the by the hon. member in his complaint cannot stand. It cannot be question of breach of previlege as the the hon. Chief Minister has not violated any rules and regulations or procedure and conduct of Business of the House. What he has done he has done with bonafide intention without any disrespect to this august House or to the Chair. So, I hope, after hearing from us, you will reject the complaint, as this is not a fit case to be referred to the Previlege Committee.

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়ৰ অনুমতি সাপেক্ষ্য ৫।৪।৭৮ তাৰিখত দিয়া হৈছিল আৰু ১২।৪।৭৮ তাৰখে পাইছে।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী :— কোনে বিছাৰিছিল ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) নিজেই বিছাৰিছিল ।

Sri ATUL Ch. GOSWAMI.—Under Rule-307, it has been stated tkat the Secretary of the Assembly should be the custodian of all records and documents and papers belonging to the House and these papers and documents cannot be taken away without the permission from the Speaker. If the Speaker permits this, then these can be handed over, and the Chief Minister has stated clearly that permission was obtained and a date has been given and so the question of previlege cannot stand and it should be dropped.

Mr. SPEAKER.—I do not lik to hear any more. I have heard both the sides and I have to decide the implications. But I will give the ruling later; therefore, I reserve it; I will give my ruling sometime next week.

---

## MESCELLANEOUS

Shri NOORUL HUDA.—I will like to inform the House that about 60/70 students of the Agriculture Botany department of the Gauhati Universty have been demonstrating before the Janata House since 9 O'clock this morning; they have many complaints regarding the functioning of the department and also they have alleged that they have been completely denied job opportunities for the last 7/8 years. So, Sir, with your permission I would like to draw the attention of the Minister, Agriculture and Minister, Education and request them to see the students there and assure them that their genuine grivances would be looked into. Sir, they are still demonstrating before the Janata House and I would request the Ministers to see them as early as possible.

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী):— অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি পালে এই বিষয়ে মই এটা বিবৃতি ডাঙি ধৰিব পাৰো।

মাননীয় অধ্যক্ষ:— আপুনি অলপ পিচত কব, অনুমতি দিয়া হল। যদি মন্ত্ৰী সকলে গৈ লগ ধৰে মোৰ কব লগীয়া একো নাই।

শ্ৰীসোনেশ্বৰ বৰা:— (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী আৰু অধ্যক্ষৰ লগত আলোচনা কৰি ছাত্ৰ সকলক বিবৃতি দিয়া হৈছে। গতিকে ছাত্ৰ সকলক বিবৃতি দি সন্তোষ দিয়াতকৈ মাননীয় সদস্য সকলৰ আগত এই বিবৃতি দিলেই নতুন এটা পথ পাম বুলি মই ভাবো।

মাননীয় অধ্যক্ষ:— আপোনাৰ যদি বেচি সময় নালাগে এতিয়া কওক।

শ্ৰীসোনেশ্বৰ বৰা:— (মন্ত্ৰী):— মাননীয় অধ্যক্ষ মহোদয়, কৃষিৰ বিষয়ত যিটো বিক্ষোভ প্ৰদৰ্শন কৰিছে এই বিষয়টোত কৃষিৰ বিষয়টোক আচলতে শিক্ষা বিষয়তহে বেছি গুৰুত্ব আছিল। যিহেতুকে বিক্ষোভ প্ৰদৰ্শন কৰিছেই মোৰ যোগেদি এটা বিবৃতি দাঙি ধৰিব বিছাৰিছো কৃষি বিভাগত যাতে বেছ হেচা নেলাগে তাৰ কাৰণে চেষ্টা কৰা হৈছে। বিবৃতিটো হল এয়ে, ১৯৫৬ চনত ডিব্ৰুগড়াহাটী বিশ্ববিদ্যালয়ত কৃষি উদ্ভিদ বিজ্ঞান বিভাগটো খোলা হয়। কৃষি বিজ্ঞানৰ ছাত্ৰ সকলৰ বাবে স্নাতকোত্তৰ উপাধি পাবৰ কাৰণে ৰাজ্যখনত শিক্ষাৰ সুবিধা নথকাৰ কাৰণেই এই বিভাগটো খোলা হৈছিল। কিন্তু কৃষি বিজ্ঞানৰ যথেষ্ট সংখ্যক ছাত্ৰ এই বিভাগত ভৰ্ত্তি হবৰ কাৰণে নোপোৱাৰ বাবদ উদ্ভিদ বিজ্ঞান আৰু অনুৰূপ অন্য বিভাগৰ স্নাতক সকলক ভৰ্ত্তি হবলৈ দিয়া হয়। ছাত্ৰৰ সংখ্যা পোণতে পাঁচজনৰ পৰা এতিয়া ২৭ জন পায়গৈ।

চৰকাৰৰ কৃষি বিভাগটো ক্ষিপ্ৰতাৰে সম্প্ৰসাৰণ হোৱাৰ কাৰণে আৰু সেই অনুপাতে কৃষি বিজ্ঞানৰ স্নাতক নথকাৰ কাৰণে বিভাগত বিজ্ঞানৰ সাধাৰণ স্নাতক সকলকো প্ৰশিক্ষণ আদি দি লোৱা হৈছিল। গতিকে কৃষি বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী সকলৰ কিছু বছৰলৈ অসুবিধা নহৈছিল। ১৯৬৯ চনত কৃষি বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পৰা কৃষি বিজ্ঞানৰ স্নাতক যথেষ্ট পৰিমাণে ওলোৱাৰ কাৰণে আৰু লগে লগে গুৱাহাটী বিশ্ব-বিদ্যালয়ত কৃষি উদ্ভিদ বিভাগত ছাত্ৰ সংখ্যা বাঢ়ি অহাৰ কাৰণে স্বভাৱিকতে স্নাতকোত্তৰ উপাধীধাৰী সকলৰ চাকৰিৰ ক্ষেত্ৰত কঠিনতা দেখা দিবলৈ ধৰে। কৃষি বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ বিভাগ খোলাৰ পিছত তেওঁলোকৰ কাৰণে চৰকাৰী কৃষি বিভাগ বা কৃষি বিশ্ববিদ্যালয় বিলাকত চাকৰিপোৱা আৰু টান হৈ পৰে।

চৰকাৰী কৃষি বিভাগৰ সম্প্ৰসাৰণ বিষয়া সকলক যি কোনো শস্য উৎপাদনৰ সকলো দিশৰ জ্ঞান থকাৰ প্ৰয়োজন। প্ৰত্যেক শস্যৰে শস্য বিজ্ঞান (agronomy), তাৰ কাৰণে সম্যক পৰিমাণৰ সাৰ প্ৰয়োগ, প্ৰয়োজনীয় মাটিৰ ধৰণ, শস্য সংৰক্ষণ কীট বা পোক-পৰুৱা নিবাৰণ, পানী আৰু মাটিৰ ব্যৱহাৰ ব্যৱস্থা (Soil and Water management), কৃষি সম্পৰ্কীয় ক্ষুদ্ৰ আৰু বৃহৎ যন্ত্ৰ-পাতি শস্যউৎপাদনৰ অৰ্থনীতি, পাম পৰিচালনা আদি বিষয় বিলাকৰ ঘনিষ্ট জ্ঞান দৰ্কাৰ হয়। এই বিলাকৰ উপৰিও কৃষি

*Speech not corrected

সম্প্ৰসাৰণ সম্পৰ্কীয় কৌশল তেওঁলোকৰ যথেষ্ট পৰিমাণে থাকিব লাগে। শিক্ষাৰ ব্যৱহাৰিক বা প্ৰয়োগিক দিশত ছাত্ৰ কালতে ধাৰ্উতি আৰ্জনৰ সুবিধা নোপোৱা সকল কৃষি বিভাগৰ সম্প্ৰসাৰণ বিষয়া হিচাপে কৃতকাৰ্য্য হব নোৱাৰে।

উপৰোক্ত কাৰণ বিলাকত, কৃষি বিশ্ববিদ্যালয়ৰ স্নাতক ওলোৱাৰ পিছত কৃষি বিভাগত সম্প্ৰসাৰণ বিষয়া হিচাপে অন্য স্নাতকক কিম্বা কৃষি উদ্ভিদ বিভাগৰ স্নাতকোত্তৰ সকলক লোৱাটো বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হয়। কৃষি বিশ্ববিদ্যালয় গঠনৰ পিছত গৱেষণা সম্পৰ্কীয় সকলো শাখা আৰু পদবিলাক বিশ্ববিদ্যালয়লৈ হস্তান্তৰ কৰা হয় আৰু সম্প্ৰসাৰণ বিষয়াৰ বাহিৰে অন্য কোনো কামতো গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই স্নাতকোত্তৰ উপাধীধাৰী সকলক চাকৰি দিয়াৰ স্থল নাইকীয়া হৈ পৰে।

সাধাৰণ বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ উপাধীধাৰী সকলৰ কাৰণে নিজ নিজ বিষয়ত বিদ্যালয় বা মহাবিদ্যালয়ত শিক্ষকৰ পদৰ বাঁবেহে একচেতীয়াকৈ সুবিধা থাকে। অন্য যি কোনো বিভাগত কামৰ কাৰণে সাধাৰণতে এনে উপাধি ধাৰী সকলে আন সকলোৰে লগত প্ৰতিযোগীতা কৰিব লাগে। কিছুদিনৰ কাৰণে কৃষি বিভাগত সম্পসাৰণ বিষয়া পদত সহজেই তেওঁলোক নিয়োজিত হৈ আছিল কাৰণে কৃষি উদ্ভিদ বিজ্ঞানৰ ছাত্ৰসকলে এই বিভাগৰ তেওঁলোকৰ এটা দাবী আছে বুলি হয়তো ধাৰণা হৈছিল আৰু, তেওঁলোকক বিভাগত নোলোৱাৰ সিদ্ধান্ত কৰাৰ পিচতে ক্ৰমান্বয়ে ক্ষোভিত হবলৈ ধৰে আৰু তেওঁলোকৰ কাৰণে এটা বিশেষ নিয়োগ ব্যৱস্থা দাবী হিচাবে দাঙি ধৰে।

সংগঠিতভাৱে এনেধৰণে এটা সমস্যাৰ কথা উঠোৱাৰ পিছৰ বিষয়টো আজি কিছুদিনৰ পৰা চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ বিবেচনাধীন হৈ আছে। এই সম্পৰ্কে ছাত্ৰসকলৰ সৈতে চৰকাৰৰ শিক্ষা আৰু কৃষি বিভাগ আৰু দুই বিশ্ববিদ্যালয়ৰ আলোচনা হোৱাৰ উপৰিও বিভিন্ন পৰ্য্যায়ত বিশ্ববিদ্যালয় আৰু চৰকাৰী বিভাগৰ মাজত আলোচনা হয়। যোৱা ৪ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ত, দুই বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ভাৰতীয় কৃষি গবেষণা পৰিষদৰ (আই, চি, এ, আৰ,) প্ৰতিনিধিটো টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ উপদেষ্টা ; কৃষি উৎপাদন আয়ুক্ত কৃষি সঞ্চালক, কৃষি উদ্ভিদ বিজ্ঞান বিভাগৰ জেষ্ঠ শিক্ষকসকল আৰু বিশ্ববিদ্যালয়ৰ অন্যান্য কিছু শিক্ষক আৰু বিষয়া সকলৰ মাজত হোৱা এক বিষদ আলোচনাৰ পিছত নিম্নোক্ত তিনিটা বিকল্প ব্যৱস্থাৰে সমস্যাটোৰ এক স্থায়ী মীমাংসা হব পাৰে বুলি এটা সিদ্ধান্তত উপনিত হয়।

(১) কৃষি উদ্ভিদ বিভাগটো উঠাই দিয়া আৰু শিক্ষকসকলক ইচ্ছা আপেক্ষে কৃষি বিশ্ববিদ্যালয় বা গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিভাগত নিয়োজিত কৰা।

(২) বিভাগতো চলাই থাকিব পাৰে কিন্তু কৃষি বিজ্ঞানৰ স্নাতকসকলক মাত্ৰ ভৰ্ত্তি হবলৈ দিয়া হ'ব যাতে চৰকাৰী কৃষি বিভাগত বা কৃষি বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ সকলক নিয়োগ কৰিব একো অসুবিধা নহয়।

(৩) বিভাগটোক জীৱবিজ্ঞানৰ গৱেষণা বিভাগলৈ ৰূপান্তৰ কৰা আৰু তাত M. Phil আৰু Ph. D. Degree লভিবৰ কাৰণে প্ৰয়োজনীয় সা-সুবিধাৰ ব্যৱস্থা কৰা।

চৰকাৰে জনামতে ওপৰোক্ত বিকল্প ব্যৱস্থাকেইটাৰ ওপৰত বিশ্ববিদ্যালয়ে শেষ সিদ্ধান্ত লবৰ কাৰণে উপাচাৰ্য্যই এটা কমিটী গঠন কৰে আৰু সেই কমিটীয়ে কলিকতা বিশ্ববিদ্যালয় আৰু বিধান চন্দ্ৰ কৃষি মহাদ্যিালয়ত এই বিষয়ে থকা ব্যৱস্থা বিলাকৰ বৰজ লৈ এখন প্ৰতিবেদন উপাচাৰ্য্যৰ ওচৰত দাখিল কৰিছে। ইয়াৰ পৰা এইটো পৰিস্কাৰ হয় যে বৰ্ত্তমান গোটেই বিষয়টো বিশ্ববিদ্যালয়ৰ বিবেচনাধীন হৈ আছে। বিশ্ববিদ্যালয়ে এটা শেষ সিদ্ধান্তত অহাৰ পিচতহে চৰকাৰৰ তৰফৰ পৰা বিষয়টো সম্পৰ্কে কিবা কৰিব লগা থাকেনে নেথাকে প্ৰশ্ন উঠিব।

যোৱা ২৪।৫।৭৮ তাৰিখে ছাত্ৰসকলৰ তৰফৰ পৰা মুখ্যমন্ত্ৰী আৰু কৃষি মন্ত্ৰীক লগ পোৱা হৈছিল আৰু উপৰোক্তভাবে বিষয়টো বুজাই দিয়া হৈছিল। তাৰপিচত এনে ধৰণৰ বিক্ষোভ প্ৰদৰ্শন দুখৰ কথা। চৰকাৰৰ তৰফৰ পৰা বিশ্ববিদ্যালয়ক সোণকালে এটা মীমাংসাত আহিবলৈ অনুৰোধ জনোৱা হৈছে আৰু তাৰ বাবে চৰকাৰৰ লগত আৰু কোনো বিষয়ত আলোচনাৰ প্ৰয়োজন হলে অতি শীঘ্ৰে তেনে আলোচনাত মিলিত হব পাৰি বুলি বিশ্ববিদ্যালয়ক জনোৱা হৈছে।

মোটামুটি ভাবে এইখিনি মাত্ৰ কব পাৰি যে কৃষি উদ্ভিদ বিভাগটো উঠাই দিলে বৰ্ত্তমানে থকা ছাত্ৰসকল উত্তীৰ্ণ হোৱাৰ পিচত বা আগতে উত্তীৰ্ণ হোৱা অনিয়োজিত হৈ থকাসকলক বিশেষ কিছু চাকৰিত নিয়োগ কৰাৰ সুবিধা উলিয়াৰ কথা বিবেচনা কৰিব পাৰি।

Shri NOORUL HUDA : Sir, this is not a satisfactory reply even then I do not want to enter into any controversy. I have requested the hon'ble Agriculture Minister and also hon'ble Education Minister to see the students today because they are domonstrating; 60 or 70 of them are there including some girls. That is why I would again request through you the hon'ble Agriculture Minister and the hon'ble Education Minister to see them for four or five minutes and assure them their grievances will be looked into. It is no use referring to the past action of the previous Government Therefore, I would request them to see the students.

শ্ৰীসোনেশ্বৰ বৰা (কৃষি মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে এটা কথা বুজি ললে ভাল হব। তেওঁলোকৰ দাবী মাত্ৰ দুটাই —

(১) অসম চৰকাৰৰ কৃষি বিভাগৰ চাকৰী সমূহত "গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষি উদ্ভিদ" বিষয়ত স্নাতকোত্তৰ উপাধীধাৰী সকলক পোণপটীয়া নিয়োগৰ ব্যৱস্থা কৰিব লাগে।

(২) অসম কৃষি বিশ্ববিদ্যালয়ৰ খাম-খেয়ালী সিদ্ধান্তত হস্তক্ষেপ কৰি, তাত খালি পৰি থকা গৱেষণা কেন্দ্ৰ সমূহৰ চাকৰী সমূহত প্ৰতিযোগিতা কৰিবৰ বাবে আমাৰ বিশ্ববিদ্যালয়লৈ পৰামৰ্শ আগবঢ়াব লাগে।

ছাত্ৰ সকলে ইতিমধ্যে প্ৰথমে আন্দোলন কৰি অনভিজ্ঞতাৰ প্ৰমাণ কৰিছে গতিকে আৰু এই আন্দোলনক উদগনি দিলে কৃষি বিশ্ববিদ্যালয়ত আৰু আন্দোলন বাঢ়িব। ছাত্ৰ সকলে লিখিত আশ্বাস বিছাৰিছে মই তেওঁলোকক পৰামৰ্শ দিছো যে সমস্যাটোৰ জটিলতা সৃষ্টি নকৰি দুয়োখন বিশ্ববিদ্যালয়ৰে উপচাৰ্য্য দুজনক লগত লৈ আলোচনা কৰিলে সমস্যাটোৰ সমাধান হব কিন্তু তেনে নকৰিলে উদবিগ্নতা আৰু বাঢ়িব পাৰে। সেয়ে মই এই পৰামৰ্শ আগবঢ়াইছো।

Mr. Speaker : Now I come to the next item. I do not want any more argument. Now Mr. Sarma to call attention.

Shri MUKUT SARMA : Mr. Speaker. Sir, I want to draw the attention of the Chief Minister under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Assam Tribune dated 21st April, 1978 under the caption "Businessman arrested for beating Harijan boy".

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয় যোৱা ২১ এপ্ৰিল তাৰিখৰ অসম ট্ৰিবিউন কাকতত প্ৰকাশিত বাতৰিটোৰ আমাৰ দৃষ্টিগোচৰ হৈছে। এই সম্পৰ্কে চৰকাৰৰ তৰফৰ পৰা বিহীত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ঘটনাৰ আদ্যপান্ত এনে ধৰণৰ —

যোৱা ১৮-৪-৭৮ তাৰিখে নিশা যোৰহাট পুলিচ থানাত যোৰহাট হৰিজন কলনীৰ শ্ৰীভৰতিয় তাঁতীয়ে এটা মৌখিক গোচৰ দি জনায় যে সেদিনাই আবেলি ৪ মান বজাত শ্ৰীঅজিত সিঙৰ ২য় পত্ৰ শ্ৰীপুৰদমন সিঙে গোচৰীয়াৰ ৯ বছৰ বয়সীয়া পুতেক শ্ৰীজুনা তাঁতী আৰু আন দুজন ৮-১০ বছৰীয়া লৰা শ্ৰীফা তাঁতী আৰু সুখলাল শ্ৰীঅজিত সিঙৰ ঘৰলৈ কিছুমান বস্ত্ৰ-বস্তু চুৰি কৰা অভিযোগত ধৰি লৈ যায়। বলপূৰ্ব্বক স্বীকাৰোক্তি লোৱাৰ অভিপ্ৰায়েৰে শ্ৰীঅজিত সিঙৰ দুয়োজন পুতেকে শ্ৰীজুনা তাঁতী আৰু শ্ৰীঅজিত সিঙে নিজেও শ্ৰীজুনা তাঁতীৰ ভৰিৰ পিছফালে আৰু হাতত কোণীয়া লো তপতাই লগাই দি গুৰুতৰ ধৰণে জখম কৰে। তেওঁ শ্ৰীফা তাঁতীকো তপত লোৰে দাগ দি পোৰে।

ঘটনা তদন্তৰ সময়ত আচামী শ্ৰীঅজিত সিঙ আৰু তেওঁৰ দুজন পুতেক শ্ৰীবিপুদমন সিঙ আৰু শ্ৰীপুৰদমন সিঙক গেপ্তাৰ কৰি জেইল হাজোতলৈ পঠোৱা হয়। জখমী দুজনক ডাক্তৰী পৰীক্ষাৰ বাবে পঠোৱা হয় আৰু ডাক্তৰৰ প্ৰতিবেদনমতে জুনা তাঁতীৰ জখম নিম্নোক্ত ধৰণৰ :

(১) পিঠিৰ ১৫ ঠাইত ছাল উঠা আৰু পোৰা জখম। এই জখমৰ জোখ ২ ফুট ৩ ইঞ্চি।

(২) সোঁ ভৰিৰ ৩ ঠাইত ছাল উঠা জখম।

(৩) বাঁও কৰঙণ আৰু ভৰিত ৭ ঠাইত ছাল উঠা জখম।

(৪) বাওঁ হাত উখহা।

(৫) সোঁফালৰ গালখন উখহা।

১নং জখমৰ বাহিৰে বাকীবোৰ জখম কোনো ভোটা অস্ত্ৰৰে কৰা। ১নং জখম দুৰয় আৰু ভোটা অস্ত্ৰৰে কৰা।

ফাঁ তাঁতীৰ সোঁ হাতত ৩ চেঃ মিঃ × ১ মিঃ জোখৰ এটা জখম আছে আৰু এই জখম কলা পৰি ছাল উঠি যোৱা। এই জখম সাধাৰণ ধৰণৰ আৰু ভোটা অস্ত্ৰৰে কৰা।

ভাৰতীয় দণ্ডবিধিৰ ৩২৩,৩২৪ আৰু ৩৪৮ ধাৰাত শ্ৰীঅজিত সিং, শ্ৰীপুৰদমন সিং আৰু শ্ৰীবিপুদমন সিং ৰ বিৰুদ্ধে যোৱা ২২-৫-৭৮ তাৰিখে গোচৰ কৰা হয় আৰু গোচ-ৰটো বৰ্ত্তমানি বিচৰাধীন। কিন্তু আজি দেশত যি ধৰণে হৰিজনৰ ওপৰত অত্যাচাৰ কৰা বুলি চিঞৰ বাখৰ কৰা হৈছে আৰু চৰকাৰে দমন কৰিববলৈ কোনো ধৰণৰ চেষ্টা কৰা নাই এই ধৰণৰ কথা প্ৰকাশ কৰা হৈছে। কিন্তু কথাটো তেনেধৰণৰ নহয়।

শ্ৰীমুকুট শৰ্মা :—অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। সেই দিনাও আই, জি, পি, যোৰহাটত উপস্থিত আছিল। এতিয়া মোৰ কথা হল তেওঁলোকক কেতিয়া এৰেষ্ট কৰিলে—ঘটনাৰ কিমান সময়ৰ পাছত আৰু কেতিয়া বেইলত দিলে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—ঘটনাৰ পিচতেই এৰেষ্ট কৰা হৈছে।

শ্ৰীমুকুট শৰ্মা :—বেইল কাছাৰীৰ পৰা দিলে নে হাজুতত দিলে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—কোৰ্টৰ পৰা দিছে।

শ্ৰীগোলোক ৰাজবংশী :—এতিয়া দেখা গল যে গোচৰ যিটো ৰজু কৰিছে সেইটো কোৰ্টত অৱশ্যে চাব-জুডিচ্ হৈ আছে। সেইটোৰ মেৰিট সম্পৰ্কে মই নকওঁ। কিন্তু যি ধৰণে দোষণীয় কাম কৰিলে আৰু যিটো ধাৰা ৰজু কৰিলে সেই হিচাবে উপযুক্ত শাস্তি নহব নে কি?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—সেইটো আইনে কৰ।

---

## RESOLUTION

Mr. Speaker : Now item No. 3. But the hon'ble member is absent. Now resolution.

Resolution No. 1. As Mr. Barbaruah is absent we come to Resolution No. 2. Yes, Mr. Bora ?

Shri Golok Rajbanshi :—Sir, I raise a point of order.

শ্ৰীগোলোক ৰাজবংশী :—অধ্যক্ষ মহোদয়,, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ১১৬ আৰু ১১৭ ধাৰামতে প্ৰস্তাৱ কেনেধৰণে হব লাগে ইয়াত স্পষ্ট ভাবে লিখা আছে। সেই ফালৰ পৰা চাই—প্ৰস্তৱাৰ যিটো উদ্দেশ্য—সেই উদ্দেশ্য এই সদনৰ প্ৰস্তাৱ আলোচনা কৰাৰ গণ্ডিৰ বাহিৰত। সেইকাৰণে এই প্ৰস্তাৱটো ইয়াত আলোচনা কৰিব নোৱাৰি। আমাৰ ইয়াত দিয়া হৈছে ১১৭ (ছ) নিয়মাৱলী অনুসৰি আলোচনা নকৰিব। কাৰণ এই প্ৰস্তাৱৰ যিটো বিষয় বস্তু—মই আগতেই কৈছো যে ইয়াৰ গুনাগুণ সম্পৰ্কে আলোচনা কৰা নাই। এই আলোচনা সদনৰ প্ৰসাৰী। কাৰণ ৰাজ্য চৰকাৰে সমাজবাদ কেতিয়াও স্থাপন কৰিব নোৱাৰে। সমাজবাদ এটা বেলেগ কথা। It is a Political question It is part and parcel of all India policy

জনতা চৰকাৰে হওক বা যি চৰকাৰে হওক ই এটা সৰ্ব্ব ভাৰতীয় চৰকাৰৰ অঙ্গ। গতিকে সৰ্ব্ব ভাৰতীয় চৰকাৰৰ যিটো দৃষ্টি ভঙ্গি সেই দৃষ্টি ভঙ্গি এই চৰকাৰে কেতিয়াও ঘোষণা কৰিব নোৱাৰে। মই এইটো চমুকৈ কৈছো।

*Speech not corrected.

Kauls parliamentary practice Page 555 ত আৰু এটা কথা আছে—
"The Content of Resolution—(a) A resolution must purport to convey opinion of the House as a whole and not only the opinion of a Section thereof."

যিহেতু এইটো এটা ৰাজনৈতিক আদৰ্শৰ কথা আৰু আমাৰ ইয়াত ৰাজনৈতিক ভাবে বিভিন্ন গ্ৰুপৰ মানুহ থাকিব পাৰে। গতিকে চেকশ্যনেল কথাটো ইয়াত আহি পৰিছে। বেলেগ বেলেগ গ্ৰুপৰ মানুহে ৰিপ্ৰেজেন্ট কৰাৰ কাৰণে বেলেগ বেলেগ ভিউ হৈছে। তেনে স্হলত সদনত এই কথাটো আলোচনা কৰিব নোৱাৰে।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী):—প্ৰস্তাৱ আকাৰে যেতিয়া দিয়া হয়—ইয়াৰ পাছত আমাৰ চেক্ৰেটাৰিয়েটৰ প্ৰচেচ্ হৈছে যে আপোনাৰ অনুমতি লৈ প্ৰস্তাৱটো আহিব লাগে আৰু সেইমতেই সদনলৈ আহিছে। আপোনাৰ অনুমতি লৈ প্ৰস্তাৱটো সদনলৈ অহা স্বত্বেও যদি পইন্ট অব অৰ্ডাৰ ৰেইজ কৰিব লগা হয়—তেতিয়াহলে আপোনাকেই বা অথৰিটিকেই পুনৰ প্ৰশ্ন কৰা হব। গতিকে সেইটো তেখেতে কৰিব নোৱাৰে। দ্বিতীয়তে তেখেতে যিটো আৰগোমেন্ট দিছে সেইটো We cannot question the authority we cannot Presume thing in advance.

এইটো ইয়াত আলোচনা হব ; দৰ্কাৰ হলে ভোটাভোটিলৈ যাব ; ভোট হলে সদনৰ মতামত মতেই বিজালোচন যাব ইয়াত স্পষ্টকৈ লিখা আছে যে আমাৰ ৰাজ্য চৰকাৰে যিটো নীতি নিয়ম ইয়াত লোৱা হৈছে সেইখিনি কাৰ্য্যকৰী কৰিবলৈ, বিহিত ব্যৱস্হা লবলৈ চৰকাৰক এই সদনৰ ফালৰ পৰা নিৰ্দ্দেশ দিয়া হয়। গতিকে আমাৰ যিটো ৰোল ১১৭—সেইমতে আটাইবিলাক কনডিশ্যন ইয়াত ফুলফিল কৰিছে।

এইটো ৰাজ্য চৰকাৰে লৈ এই প্ৰস্তাৱটো সদনৰ আলোচনাৰ্থে অনা হৈছে আৰু সেইমতে আপোনাৰ অনুমতি লোৱা হৈছে আৰু আপুনি অনুমতি দিছে। দ্বিতীয়তে পাৰ্লিয়ামেন্টৰীৰ কথা আলোচনা কৰিছে আৰু সেইটো ইয়াত বৈধ্যতা নাই।
"It shall not refer to a matter which is not primarily the concern of the State Government." It has clearly and presiely expressed one definite issue."

এই প্ৰস্তাৱৰ যোগেদি চৰকাৰে যিখিনি কাৰ্য্যসূচী লোৱা হৈছে সেই কাৰ্য্যসূচীখিনি কাৰ্য্যকৰী কৰিবৰ কাৰণে সদনৰ ফালৰ পৰা নিৰ্দ্দেশ দিয়া হয় আৰু তাৰ কাৰণে এই প্ৰস্তাৱটো লোৱা হৈছে। ইয়াত আৰ্গোমেন্টৰ কথা নাই। ইয়াত তেখেতে যিখিনি লিপিবদ্ধ কথা উল্লেখ কৰিছে—সেইটো ইয়াত নাখাটে। গতিকে মই আপোনাক অনুৰোধ কৰিছো এই পইন্ট অব্ অৰ্ডাৰ ৰোল আউট কৰি আপোনাৰ সিদ্ধান্ত মতে এই প্ৰস্তাৱটো আলোচনা কৰিবলৈ সুবিধা দিব লাগে।

শ্ৰীএ, এন, আক্ৰাম হুছেইন:— অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱত যিখিনি কথা কৈছে— সেইমতে বৰ্ত্তমান চৰকাৰে এনেকুৱা কাম কৰিব বা নকৰিব বুলি কিবা সন্দেহ হৈছে নেকী?

*Speech not correc'ed.

Mr. SPEAKER : This does not arise.

* Shri SARAT CHANDRA SINHA : Mr. Speaker, Sir, the hon'ble member Shri Rajbanshi has raised a point of order. The point of order has arisen because of the violation of Rule 116 of the Rules of procedure and Conduct of Business. Rule 116 has clearly stated "A resolution may be in the form of a declaration of opinion or a recommendation ; or may be in the form so as to record of an act or policy of Government, or convey a message ; or commend. urge or request for action ; or call attention to a matter or situation for consideration by Government ; or in such other form as the Speaker may consider appropriate ".

Sir, here the resolution seeks to make an appeal to the people. What is the operative part of the resolution ? It is an appeal to the people to support the Government. Here in this House what we discuss ? We discuss the action of the Government ; we approve or disapprove the action of the Government and we take resolution which concerns the Government. But this resolution seeks to make an appeal and if this resolution is admitted there may be other resolution with the appeal to vote for a particular political party. This will be a serious thing and there will be serious and far reaching consequences in the country. This will attack on the fundamental of democracy. Here in this Assembly we can discuss the activities of the Government and we can form certain opinion. We can have our own opinion expressed, may be in the form so as to record either approval or disapproval by the House; but in its form as it contains an appeal to the people this cannot come. In Koul's Parliamentary Practice, where it has been clearly stated as Hon'ble member Rajbongshi has pointed out that the resolution must perforce to convey the opinion of the House sa a whole and not only of a section thereof. Sir, here the resolution has been framed in such a way that it contains only opinion of a section of the House. Therefore this in gross violation of the Rules and therefore this is out of order which should not have been admitted.

Md. UMARUDDIN: Now, Sir, this resolution embodies the general policy of the Government and all these matters of policy have been embodied in the Governor's address which has been dicussed in this House, Government policy has also been reflected through certain demands, through certain programmes. When we have discussed these matters in the budget discussion, how a blank approval can be given to this resolution. Everything has been done and when these things have been done we cannot adopt this type of resolution. If we are discussing the policy of the Government through various demands you will have to accept our views also. Therefore by discussing this resolution we will commit certain irregularity. Sir this is premature and also coersive.

---

*Speech not corrected.

Shri DULAL CHANDRA BARUA, (Minister) : Sir, it is not correct. The Hon'ble member Mr. Sinha wents to speak out or his emotion without going to the reality. Sir, the whole thing is that, I think, the Hon'ble member will remember well that there are precedents in this House during their regime when such type of resolution was adopted.

Shri SARAT CHANDRA SINHA : No, Sir, no such resolntion has been passed. The Hon'ble member should not mislead the House.

Shri DULAL CHANDRA BARUA, (Minister): No, it is a fact that we adopted such resolution for appealing to the people.

Shri MUKUT SARMA : We do not remember such resolution.

Shri DULAL CHANDRA BARUA, (Minister) : Sir, when trouble started, (interruption) please listen, we have record that such resolution for appealing to the people was adopted in this House. We adopted such resolution when trouble started. That is why cannot question it. A mumber has got right to appeal to the people, nobody can object.

Md Umaruddin : Nobody can do it like this

*Shri DULAL CHANDRA BARUA, (Minister) : You have got the right to reject it. But every member has a right to bring resolution with permission of the Hon'ble Speaker and this resolution is brought with due permission of the Speaker. Under Rule 119 the Hon'ble Speaker shall decide whather a resolution or a part thereof is not admissible under these rules and may disallow any resolution or a part thereof when in his opinion it is an abuse of the right of moving a resolution or calculated to obstruct or projudicially affect the procedure of the House or is in contravention of these rules". Now Sir, when you have allowed the member to place this thing before the House, before allowing it you have definitely examined about the realities of the resolution about its admissibility, the question rejecting it by raising a point of order cannot arise. Secondly Mr. Sinha has quoted Rule 116, that 'A resolution may be in the form of a declaration of opinion or a recommendation or may be in the form so as to record either approval or disapproval by the House of an act or policy of Government or meassge..............". Yes, we going to support a progamme, a policy of the Government and every member has got the right to bring such resolution in support of the policy of the Government. If somebody wants to reject he can do so, but he cannot deprive any other mamber of his inherent right. Sir, with your permission this resolution has been brought befo-re the House. Therefore, the question of objecting it by raising a point of order cannot arise. This has been brought in proper form and all the conditions have been fulfilled. There is no such kind of things which may hamper their interest. Most probably they are raising this point of order out of apprehension that something may happen to them.

*Speech not corrected.

Shri SARAT CHANDRA SINHA : Sir, the hon'ble member should have sensible submission. He should speak to the point.

* Shri DULAL CHANDRA BORUA (Minister): Sir. Mr. Sinha was the Chief Minister of this State. He should not be so much emotional.

Shri SARAT CHANDRA SINHA : He should not behave in such undesirable manner.

Shri DULAL CHANDRA BARUA, (Minister) : What is the wrong? You are arguing emotionally and you are beating about the bush. They are acting as if they have lost somewhere. Now they are behaving in a manner which is not maintaining the decorum of the House. They should have the patience. They can commend, urge or request for action or call attention to a matter or situtation for consideration by Government or in such other form as the Speaker may consider appropriate' and as I have alreadg, seated when you have admitted this resolution by observing all the formalities nobody can question the authority. Now by raising this point of order by Mr. Rajbongahi he has forgotten the inherent rules of the House He cannot question the Speaker's authority. Now, Sir, you have a ruling and by raising this point or order they are questioning your authority and I think by raising that question of authority they are commiting a breach of of privilege of the House. Sir, after admission, how they can say that this resolution cennot be moved, which violated Rules 116 and 117. I have already explained what 116 Rule says. Therefore, Mr. Speaker Sir, as this resolution is already admitted or which is aceording to Rule 116 the question of admistibility does not arise here. Therefore, after the resolution is introduced, they have the right to reject it but they cannot question the admistibility as it is covered by Rules 116 and 117.

Shri Debanada Bora:—Mr. Speaker Sir, after admission of the resolution for discussion whether at this stage the question of admissibility could be raised by the Hon. members. Whether Hon. Members can raise that this resolution cannot be moved as it violates the rule of procedure and conduct of business in Assam Legislative. Assemb y It is clearly explained in rule 116. It goes like "A resolution may be in the form of a declaration of opinion or a recommendation; or may be in the form so as to record either appr oval or disapproval by the House of an act or policy of the Government, or convey a message; or command, urge or request for action; or call attention to a matter or situation for consideration by Government; or in such other form as the Speaker may consider appropriate." If the Honourable Speaker deem it fit and appropriate and then the question of admissibility at this stage of any resolution does not arise. Your Honour has already admitted this rerolution and it is according to Rule 116. As the Hon. Speaker has already considered it and therefore in this stage the question of admissibility does not arise. After the resolution is introduced and debate if it is rerected this is a different thing. As per rule 116 and 117 I have already move the resolution and a similar resolution was moved in the 77 Parliament Session by Honourable the Member Shri H. M. Kamath in the Loka Sabha and that resolution was admitted, discussed and subsequently accepted. There may be record in the Library. Hon. Members may like to go through the proceedings of the Loka Sabha.

* Speech not corrected.

Shri Baneswar Saikia :—Honourable Speaker has admitted this resolution in this House. The contents of the resolution may give secessionists ideas and may violate certain norms of the Constitution.

*শ্ৰীনৰেন্দ্ৰ নাথ দত্ত: মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীৰাজবংশী ডাঙৰীয়াই যিটো বৈধ্যতাৰ প্ৰশ্ন তুলিছে এই বৈধ্যতাৰ প্ৰশ্নৰ যোগেদি ভাৰতীয় সংবিধানক অস্বীকাৰ কৰা যেন অনুমান হয়। সংবিধানৰ নামাকৰণ কি—চেকুলাৰ চচিয়েলিষ্ট। সমাজবাদী শব্দটোৰ নামত সংবিধানে যি অধিকাৰ দিছে এইটোত বৈধ্যতাৰ প্ৰশ্ন তুলি সংবিধানক অস্বীকাৰ কৰিবলৈ যোৱাযেন অনুমান হয়। আলোচনাত বৈধ্যতাৰ প্ৰশ্নটোৰ প্ৰাসঙ্গিকতা নাই। গতিকে এই বিষয়টো আলোচিত হব লাগে।

Mr. Speaker :—The first point raised whether any member could bring any point of order regarding introduction or admissibility of the resolution. In this connection I would like to draw the attention of the Hon. Members to Rule 300 (2) where it is stated .—"A point of order may be raised in relation to the business before the House at the moment : provided that the Speaker may peremit a member to raise a point of order during the interval between the termination of one item of business and before the commencement of another if it relates to maintenance of order in, or arrrangement of business before the House." I rule that any member may raise any point of order on any resolution. Even introduction of bill is also challanged in the proceedings of the Loka Sabha. The other point is raised by Hon. Member Shri Umaruddin whereby he said that the policy has been laid down in the budget proposal under discussion of this nature. Therefore, this resolution is not necessary. In this regard I would like to say that the policy is being explained in the budget proposals that is what is normally done in the budget proposal. Here in this resolution I find not only the policy which is being followed by the Government but also the mover seeks to give a new direction through the Assembly to the Government and to say that such and such steps should be taken for alround development. Therefore, I find that the objections ascribing it to be sedarian to to the resolution cannot be acceptable to me. However, there are chances for the House to amend any particular word in due course of the discussion on the resolution if the resolution is to be accepted at all by the House and after debating the resolution on merits if house accepts it may be accepted. It should not be treated as sectional views of the House. As I said earlier I am not going to the merit of the resolution but the admissibility of the resolution has done in proper way.

Shri Golok Rajbanshi :—Mr. Speaker Sir, with all respects to your ruling we cannot participate in the discussion and we have decided to leave the House.

( The Congress members walked out )

শ্ৰীদেবানন্দ বৰা: অধ্যক্ষ মহোদয়, মোৰ প্ৰস্তাবটো হল "অসমত দীৰ্ঘদিন ধৰি চলি থকা ৰাজনৈতিক, অৰ্থনৈতিক আৰু দুনীতিগ্ৰস্ত, স্বেচ্ছাচাৰিতা, ওপৰ গধুৰ আমোলাতান্ত্ৰিক, সংবিধান আৰু আইনৰ শাসন বিৰোধী অগণতান্ত্ৰিক চৰকাৰ অন্ত

*Speech not corrected.

কৰি অসমৰ জনসাধাৰণে এটা নতুন প্ৰগতিবাদী, গণতান্ত্ৰিক সমাজবাদী চৰকাৰ গঠন কৰি গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰাৰ কাৰণে আজিৰ এই বিধান সভাই অসমৰ ৰাইজলৈ ঐকান্তিক আৰু বৈপ্লবিক অভিনন্দন কৰাৰ লগতে এক নতুন অৰ্থনৈতিক ব্যৱস্থাৰ জৰিয়তে অগণন দৰিদ্ৰ, নিষ্পেষিত অবহেলিত জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰি দেশৰ অৰ্থনৈতিক, সামাজিক, আদি সকলো দিশতে এক আমূল পৰিবৰ্তন সাধি, এখন নতুন সমাজবাদী অসম গঢ়ি তুলিবলৈ নতুন চৰকাৰলৈ আহ্বান জনায় আৰু এই প্ৰচেষ্টাত সকলো প্ৰকাৰৰ সহায়-সহযোগ আগবঢ়াবলৈ সমূহ ৰাইজলৈ বিনীত অনুৰোধ জনায়।"

অধ্যক্ষ মহোদয়, আমাৰ দেশ স্বাধীন হোৱাৰ পিচত আমাৰ দেশত এক গণতান্ত্ৰিক পদ্ধতিৰ শাসন ব্যৱস্থা কৰা হৈছে। এই গণতান্ত্ৰিক শাসন ব্যৱস্থা গ্ৰহণ কৰাৰ পিচত ভাৰতত বিভিন্ন ধৰণৰ ৰাজনৈতিক দল হৈছে। আমাৰ ভাৰতবৰ্ষ যেতিয়া পৰাধীন আছিল তেতিয়া এক অংশ মানুহে ভাবিছিল ভাৰতবৰ্ষ কেতিয়াও স্বাধীন হব নোৱাৰে, বৃটিছৰ যি শাসন তাক ভাৰতীয় জনগণে উফৰাই পেলাব নোৱাৰে। এনেকুৱা এটা ধাৰণা আছিল। তাৰ পিচত দেশ স্বাধীন হল আৰু কংগ্ৰেছ দল শাসনলৈ আহিল। শাসনলৈ অহাৰ পিচত যেনে ধৰণে গণতান্ত্ৰিক পদ্ধতিৰ শাসন ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে প্ৰচেষ্টা হাতত লব লাগিছিল সেই প্ৰচেষ্টা কৰা নহল। গণতন্ত্ৰৰ কথা মানুহে বুজি নেপাবৰ কাৰণে ভাৰতৰ হাজাৰ হাজাৰ মানুহক অশিক্ষিত কৰি ৰখা হল। দেশত একচেটিয়া দল হিচাবে শাসনত থাকিবলৈ দিয়াৰ কাৰণে দীৰ্ঘদিনৰ কাৰণে একদলে শাসন কৰাৰ সুবিধা পাইছিল। আপোনালোক সকলোৰে জানে দীৰ্ঘদিন ধৰি এটা দলক শাসন ব্যৱস্থাত থাকিবলৈ দিলে গণতান্ত্ৰিক শাসন ব্যৱস্থা স্বৈৰ চাৰী শাসনত পৰিণত হয়। সেই একনায়কত্ববাদী শাসন ব্যৱস্থাৰ প্ৰমাণ স্বৰূপে ২৫ জুনত জৰুৰী অৱস্থাৰ সৃষ্টি কৰি দেশৰ গণতন্ত্ৰৰ ভেটি খৰ্ব কৰিছিল। গণতান্ত্ৰিক পদ্ধতিক নষ্ট কৰা হৈছিল। ভাৰতৰ জনসাধাৰণে গণতন্ত্ৰৰ মূল্য বোধ নজনাৰ কাৰণে যে এই অৱস্থা হৈছিল তাক স্বীকাৰ কৰিব লাগিব। দেশৰ গণতান্ত্ৰিক পদ্ধতি কাৰ্য্যকৰী কৰিবলৈ হলে, গণতন্ত্ৰৰ ভেটি দৃঢ় কৰিবলৈ হলে দেশত এটা দলক সদায় শাসন ব্যৱস্থাত থাকিব দিব নালাগে, এই নীতিক আমি স্বীকাৰ কৰো। সেই কাৰণে দীৰ্ঘদিন ধৰি চৰকাৰক জনসাধাৰণে লোক সভা আৰু ৰাজ্যিক বিধান সভাৰ নিৰ্বাচনত পৰাস্ত কৰি নতুন চৰকাৰ কৰিছে। লগে লগে গণতন্ত্ৰৰ ভেটি দৃঢ় কৰা হৈছে। আজি সৰ্বসাধাৰণ ৰাইজে গণতান্ত্ৰিক দায়িত্বৰ কথা বুজি পাইছে। তেওঁলোকে উপলব্ধি কৰিছে ভোটৰ যোগেদি তেওঁলোকে ইচ্ছা কৰিলে দেশৰ জনসাধাৰণৰ মঙ্গল সাধন কৰিব নোৱাৰা, দেশৰ অন্যায় কৰা, দুৰ্নীতিগ্ৰস্ত চৰকাৰক মষিমূৰ কৰি চৰকাৰ সলনি কৰিব পাৰে। যোৱা দুয়োটা নিৰ্বাচনৰ যোগেদি যে গণতন্ত্ৰৰ ভেটি দৃঢ় হোৱাটো আমাৰ ধাৰণা হৈছে। আমি আশা ৰাখিছো ভৱিষ্যতেও যি চৰকাৰ দুৰ্নীতিগ্ৰস্ত হব, জনসাধাৰণৰ আশা আকাংক্ষা পূৰণ কৰাৰ অপাৰগ হব সেই চৰকাৰক গণতান্ত্ৰিক পদ্ধতিৰ যোগেদি সলনি কৰি নতুন চৰকাৰ গঠন কৰিবলৈ ৰাইজ জাগ্ৰত হৈ থাকিব।

ইয়াৰ লগতে এষাৰ কথা কব খুজিছো যে জনসাধাৰণে অকল ৰাজনৈতিক পৰিবৰ্তন বিচৰা নাই। ভাৰতৰ অগণন জনসাধাৰণ অৰ্থনৈতিক ভাবে নিস্পেষিত হৈ আছে, এই কথা সদনৰ সকলো মাননীয় সদসই জানে। গতিকে ৰাজনৈতিক পৰিবৰ্তনৰ লগে লগে যদি অৰ্থনৈতিক পৰিবৰ্তন নাহে তেনেহলে আমাৰ যি আশা-আকাংক্ষা আছিল সেই খিনি ফলৱতী নহব। সেই কাৰণে আশা ৰাখিছো নতুন চৰকাৰে সাধাৰণ মানুহৰ অৰ্থ নৈতিক অৱস্থাৰ উন্নতিৰ কৰাৰ চেষ্টা কৰিব। ৰাইজে নতুন চৰকাৰ গঠণ কৰিছে, এই নতুন চৰকাৰৰ জৰিয়তে কৃষক শ্ৰমিকৰ আশা-আকাংক্ষা পূৰণ কৰিবৰ কাৰণে প্ৰচেষ্টা কৰিব,

তাৰ কাৰণে সদনৰ তৰফৰ পৰা আহবান জনাইছো। লগতে অসমৰ জনসাধাৰণে এই ৰাজ্যৰ উন্নয়ণৰ কাৰণে গণতান্ত্ৰিক মূল্য বোধৰ ভেটিত দীৰ্ঘ দিন ধৰি চলি থকা দুনীতি পৰায়ণ ওপৰ গধুৰ আৰু আইনৰ শাসন নমুনা চৰকাৰক মাষমূৰ কৰি, নতুন চৰকাৰ গঠণ কৰাৰ কাৰণে সদনৰ তৰফৰ পৰা অসমৰ জনসাধাৰণক ওলগ আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদেবানন্দ্ৰ বৰা ডাঙৰীয়াই যি প্ৰস্তাৱ আমাৰ এই বিধান সভাত দাঙি ধৰিছে সেই প্ৰস্তাৱ সমৰ্থন কৰি মইও দুআষাৰ কথা কব খুজিছো। যোৱা ৩০ বছৰ ধৰি আমাৰ দেশত কংগ্ৰেছে শাসন কৰিছিল। আৰু সময়ে সময়ে আমাৰ দেশৰ দেশৰ জনসাধাৰণক সমাজ বাদী সমাজ এখন গঢ়িব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু জনসাধাৰণক সমাজ বাদী সমাজ গঢ়াৰ পৰিবৰ্ত্তে কংগ্ৰেছে নিজৰ দলৰ একনায়কত্ববাদী শাসন এটা চিৰ দনৰ কাৰণে যাতে সমগ্ৰ ভাৰতবৰ্ষত ৰাখিব পাৰে তাৰ কাৰণে যতপৰোনাস্তি চেষ্টা চলাইছিল। আৰু তাৰ বাবেই ইন্দিৰা গান্ধীয়ে আমাৰ দেশৰ একনায়কত্ববাদী শাসন পদ্ধতি ৰক্ষা কৰিবলৈ চেষ্টা কৰাই নহয়, আমাৰ দেশৰ গণতন্ত্ৰৰ ভৰিৰে মোহাৰি এটা ফাচীবাদী শাসন পদ্ধতি চলাই যাবৰ কাৰণে চেষ্টা চলোৱা হৈছিল আৰু তাৰ কাৰণেই ১৯ মাহ জুৰি ভাৰতবৰ্ষত এটা কলা শাসনৰ সৃষ্টি হৈছিল। আইন কানুন ধংস কৰি দিয়া হৈছিল। যি সংবিধান ১৯৫০ চনত গ্ৰহন কৰা হৈছিল ২৬ জানুৱাৰী তাৰিখে যি সংবিধানৰ জৰিয়তে ভাৰতবৰ্ষৰ জনসাধাৰণে গণতান্ত্ৰিক পৰম্পৰাৰ সৈতে ৰক্ষা কৰিবৰ কাৰণে চেষ্টা চলাইছিল সেই গণতান্ত্ৰিক পদ্ধতি সম্পূৰ্ণৰূপে বিনষ্ট কৰিবৰ কাৰণে চক্ৰান্ত কৰা হৈছিল। এই চক্ৰান্তৰ ফলত আমাৰ দেশত হাজাৰ হাজাৰ শ্ৰমিক, হাজাৰ হাজাৰ অকংগ্ৰেছীক হাজাৰ হাজাৰ যুৱকক বিনা বিচাৰে জেইলত বন্দী কৰি ৰখা হৈছিল। সেই বন্দী সকলক নিস্পেষণ কৰা হৈছিল আনকি হত্যাও কৰা হৈছিল। এই কলা শাসনে ভাৰতৰ অগনন জনসাধাৰণৰ শান্তিপূৰ্ণ ভাব আতৰাই দিলে আৰু মাৰ্চ মাহৰ ঐতিহাসিক নিৰ্বাচনে যি নিৰ্ব্বাচন মাৰ্চ মাহত অনুষ্ঠিত হৈছিল, আৰু তাৰ পিচত ৰাজ্যিক বিধান সভাৰ নিৰ্ব্বাচনতে জনসাধাৰণে গণতন্ত্ৰৰ প্ৰমূল্য ৰক্ষা কৰি ভাৰতৰ পৰা এক নায়কত্ববাদী শাসন আতৰাই পেলালে। ইয়াৰ পিচৰ পৰাই অসমত কংগ্ৰেছৰ ৩০ বছৰীয়া শাসনৰ অন্ত পৰিল। এই কাৰণেই অসমৰ অগনন দৰিদ্ৰ জনসাধাৰণক, কৃষি জীৱিক, শ্ৰমিক জীৱিক জনসাধাৰণক নিশ্চয় এই বিধান সভাৰ পৰা ওলগ পোৱা উচিত আৰু এই প্ৰস্তাৱৰ জৰিয়তে অসমৰ জনসাধাৰণলৈ তেওঁলোকে এই যি ঐতিহাসিক পদ্ধতিৰ জৰিয়তে শাসন পদ্ধতিত এটা পৰিবৰ্ত্তন আনিব বিচাৰিছে, তাৰ কাৰণে তেখেতক আমি ধন্যবাদ জনাইছো। লগতে এই বিধান সভাই এইটোও আশা কৰে যে, অকল পৰিবৰ্ত্তনৰ কাৰণেই জনসাধাৰণে কংগ্ৰেছৰ শাসন ওফৰাই দিয়া নাই। এটানতুন শাসন, যি শাসন এতিয়ালৈকে যি সকল লোক অৱহেলিত হৈ আছে তেখেতসকলৰ মুক্তিৰ পথ এই নতুন চৰকাৰে আনি দিব লাগিব। অসমত যোৱা ৩০ বছৰে উদ্যোগিক বিকাশৰ ক্ষেত্ৰতেই হওক বা আমাৰ দেশৰ সামাজিক পৰিবৰ্ত্তনৰ ক্ষেত্ৰতেই হওক, যোৱা ৩০ বছৰৰ ভিতৰত অসমৰ ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰতেই হওক বা অন্যান্য সামাজিক পৰিবৰ্ত্তনৰ ক্ষেত্ৰতেই হওক, ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত অসম নিতান্তই পিছপৰি আছে। ভাৰতবৰ্ষৰ ভিতৰতে জলবিদ্যুতৰ ক্ষেত্ৰত অসমৰ উজ্জ্বল সম্ভাৱনা আছে যদিও বিজুলীশক্তিৰ ক্ষেত্ৰত এই ৰাজ্যখনেই অতিকৈ পিছপৰা। অসমত ১৪১ মেগাৱাট বিজুলী শক্তিহে কামত লগোৱা হৈছে যদিও আমাৰ ৰাজ্যখনৰ ঔদ্যোগিক বিকাশৰ কাৰণে ৬০০ মেগাৱাট বিজুলী শক্তিৰ

*Speech not corrected.

প্ৰয়োজন। আমাৰ ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দ্বিতীয় দলঙৰ কথা উঠিছে। কিন্তু এনে অৱস্থাত উত্তৰ প্ৰদেশৰ নিচিনা ঠাইটো গঙ্গা নদীৰ ওপৰত ৯।১০ খন দলং আছে। অথচ অসমত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয় এখন দলঙৰ কাৰণেও চেষ্টা কৰিব লগীয়া হৈছে। তথাপিও এই দলংখন এতিয়াও হৈ উঠিবগৈ নে নাই তাৰো সন্দেহ আছে। এই বিষয়ে খাটাং খবৰ এতিয়াও পোৱাই হোৱা নাই। যোগা যোগৰ ক্ষেত্ৰটো ভীষণ অসুবিধাৰ কাৰণে আমাৰ ৰাজ্যখনৰ যি ঔদ্যোগিক বিকাশত বাধাপ্ৰাপ্ত হৈ আছে সেই অৱস্থাটোও ভাৰতবৰ্ষৰ ভিতৰতে আতাইতকৈ শোকলগা অৱস্থা হৈয়েই আছে। সদনৰ বাহিৰে ভিতৰে তিনিচুকিয়ালৈকেই ব্ৰডগজ ৰেল লাইন হব লাগে বুলি সদায়েই চেষ্টা কৰি অহা হৈছে। কেন্দ্ৰীয় জনতা চৰকাৰ আৰু ৰাজ্যতো জনতা চৰকাৰ হোৱাৰ পিচত বেল পথৰ উন্নয়নৰ কাৰণে আমাৰ ৰাজ্যখনে যিমানখিনি আশা কৰিছিল সেই আশা পূৰণ হোৱাৰ কোনো লক্ষণ দেখিবলৈ পোৱা নাই। সেইকাৰণেই আজি আমাৰ এই চৰকাৰে এইটো কথা মনত ৰাখিব যে, ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ কাৰণে, ঔদ্যোগিক বিকাশৰ কাৰণে পথ পৰিবহন, জলপৰিবহনৰ, উন্নতিৰ কাৰণে এই চৰকাৰক জনসাধাৰণে আস্থাৰে স্থাপন কৰিছে। সেই আস্থা নিষ্ঠাৰে সৈতে এই ৰাজ্যিক জনতা চৰকাৰে পালন কৰিব লাগিব।

অসমৰ আৰু এটা ডাঙৰ আৰু জলন্তসমস্যা হৈছে নিবনুৱা সমস্যা। চৰকাৰী খণ্ডতেই হওঁক বা বেচৰকাৰী খণ্ডতেই হওঁক অসমত যিবিলাক উদ্যোগ নিৰ্ম্মাণ হৈছে সেই বিলাকত চাকৰি আদিৰ ক্ষেত্ৰত আমাৰ থলুৱা লোকে যিদৰে সুবিধা আদি পাব লাগিছিল সেইদৰে পোৱা নাই আৰু বঞ্চিতহে হৈছে। এইবিষয়ে ইতিমধ্যেই বাতৰি কাকতত বাতৰি পৰিবেশীত হৈছেই। এই বিষয়ে চৰকাৰে যদি বিহিত ব্যৱস্থা নলয় তেতিয়াহলে, যি আশা আকাংখ্যাৰে চৰকাৰ এটা আমাৰ জনসাধাৰণে পৰিবৰ্ত্তন কৰিছিল সেই আশা আকাংখ্যা দুখলৈ পৰ্য্যবসিত হব আৰু ইয়াৰ প্ৰতিক্ৰীয়া হব সুদূৰ প্ৰসাৰী। কেৱল ভাষা কোৱা মানুহকেই নহয়, অসমত যি সকলে বসবাস কৰে সেই সকলকেই আমি অসমীয়া বুলি কম। চাকৰি আদিৰক্ষেত্ৰত কাছাৰত যিটো অৱস্থাৰ সৃষ্টি হৈছে তাৰ প্ৰতি আমি তীব্ৰ দৃষ্টি ৰাখিব লাগিব। পপুলেচন পেটাৰ্ণ ৰিফেলেক্ট কৰিব লাগে বুলি নিয়োগ আদিৰ ক্ষেত্ৰত চাৰ্কোলাৰ থকা স্বতেও মানুহৰ আশা আকাংখ্যাৰ ওপৰত চেচাঁপানীহে ধলা হৈছে। তাৰ ফল কিন্তু বৰ ভাল নহব। এনে ব্যৱস্থাই আমাৰ জনসাধাৰণক বিদ্ৰোহীহে কৰি তুলিব। আৰু হয়তো এই বিদ্ৰোহে অসমৰ আবেগিক ঐক্য-সংহতিতো আঘাট হানিব পাৰে। সেই কাৰণেইহে এই চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত সুদৃঢ় ভাৱে আলোচনা আদি কৰি ন্যায্য প্ৰাপ্তিৰ আদায়ৰ ক্ষেত্ৰত সাহসিকতাৰ পৰিচয় দিব লাগিব। ইয়াৰ আগৰ কংগ্ৰেছ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আঠু লৈ লৈ আঠুৰ ঘিলাৰ চাল পৰ্য্যন্ত চিঙিলে। তথাপিও নিজৰ প্ৰাপ্য আদায় কৰিব নোৱাৰিলে। জনতা চৰকাৰে তেনে কৰাটো আমি নিবিচাৰো। জনসাধাৰণেও জনতা চৰকাৰৰ পৰা তেনেকুৱা ব্যৱহাৰ বিছৰা নাই। আমি অন্যায় ভাৱে কেন্দ্ৰীয় চৰকাৰৰ পৰা একো বিছৰা নাই। এক্সাইজ-ডিউটিৰ নামত, চেন্ট্ৰেল টেক্সৰ নামত কেন্দ্ৰীয় চৰকাৰে যিখিনি পাই আছে সেই খিনিৰ ওপৰত ভিত্তি কৰিহে আমি আমাৰ ন্যায্য প্ৰাপ্তিখিনি আশা কৰিছো। তাৰোপৰি প্লাইউড আদিৰ নিচিনা ইন্দাষ্ট্ৰি বিলাকৰ মূখ্য কাৰ্য্যালয় বিলাক কলিকতা আদিত থকা কাৰণে আমি কৰকাটল বিলাকৰ কাৰণেও বঞ্চিত হৈ আছোঁ। প্ৰকৃততে যদি আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক উন্নতিৰ কথা চিন্তা কৰা হয় বা আমাৰ উৎপাদন কেনেকৈ বৃদ্ধি পাব সেইটো যদি চিন্তা কৰা হয় তেতিয়াহলে, এই বিলাক মূখ্য কাৰ্য্যালয় বিলাকো অসমতেই হব লাগিব। আমাৰ নিজৰ অফিচ বিলাকতেই অসমক লুট কৰি নিয়াৰহে চেষ্টা কৰিছে। এ, এছ, আই, ডি, টি-ৰ চেন্ট্ৰেল ষ্টৰত আমি দেখিছোঁ যে, এক তাৰিখৰ 'আসাম ট্ৰিবিউন'ত এটা বিজ্ঞপ্তি দিয়া হল আমৰা গুটি, আমছাল আদি যোগান দিবৰ কাৰণে। সৰু সৰু চকুৰে মণিব নোৱাৰা আখৰত এই বিজ্ঞাপন দিয়া হল। ৮ মে

তাৰিখে এই নিবেদা অপেন কৰিব আৰু পিছত ৯ মে তাৰিখৰ 'ষ্টেটছমেন' পত্ৰিকাত কোন বস্তু কিমান পৰিমাণৰ লাগিব তাওৰ তাওৰ হৰফত প্ৰকাশ কৰা হল। এইদৰে বহুত টকা এই কাগজ খনক দিয়া হল। এইবোৰ অন্যায় যদি এই ভাৱেই চলি থাকে বা চলি থাকিবলৈ দিয়া হয় তেতিয়াহলে, এই চৰকাৰে আৰু বেছি দিন নিটিকিব। মাননীয় মহোদয়, আপোনাৰ জৰিয়তে মই আপোনাক আৰু এই নতুন চৰকাৰক সহযোগিতা আগবঢ়োউৱাৰ ওপৰিও এই অনুৰোধ মই কৰিম যে, এনেকুৱা বিলাক অন্যায় যাতে হব নোৱাৰে তাৰ কাৰণে চৰকাৰে সদায়েই সতৰ্ক দৃষ্টি ৰাখিব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি যদি আমাৰ বিভাগ বিলাক ঠিক কৰি নলও তেতিয়াহলে, যিমানেই ভাল আঁচনি আদি আমাৰ চৰকাৰে নলওক লাগিলে বিভাগীয় দুৰ্বলতা দূৰ কৰিব নোৱাৰিলে এই চৰকাৰে কেতিয়াও কোনো কাম কৰিব নোৱাৰিব। মাননীয় মহোদয়, তথ্যপাতিৰে সৈতে মই আপোনাক কিছুমান খবৰ জনাব পাৰো। জলসিঞ্চন বিভাগৰ অলপতে বহুত বস্তু কিনা হৈছে। এই যি বিলাক বস্তু কিনা হৈছে সেইবিলাকৰ দাম বজাৰ দৰতকৈ এশভাগেই বেছিকৈ দিয়া হৈছে। জলসিঞ্চন বিভাগৰ চিফ ইঞ্জিনিয়াৰ জনে নিবেদা গ্ৰহণ নকৰাকৈয়ে কিছুমান পাইপ, আইৰন শেলৰ আদি কিনিলে। আইৰনৰ মেটেৰিয়েল কিছুমান টনে প্ৰতি ২,৩৫০ টকাৰ ঠাইত ৫,৬৬০ টকাত কিনিছে। পাম্প মেইণ্টেন্স কিট প্ৰত্যেক চেটত বজাৰ দৰ ২,৫০০ ৰ ঠাইত ৬,২০০ টকাত কিনিছে। অক্সিজেন গেছ চিলিণ্ডাৰ বজাৰ দৰ ২,২০০ ৰ ঠাইত ৬,৫০০ ত কিনিছে। এচিটিলিন ছেগ চিলিণ্ডাৰ প্ৰত্যেকটোতে ২,০০০ ঠাইত ৫,৫০০ টকাত কিনিছে। 'ইইই'ব্ৰান্ড চাৰ্ভে ইন্টষ্ট্ৰুমেন্ট প্ৰত্যেকটোতে ১,২৫০ টকাৰ ঠাইত ২,৬০০ টকাত কিনিছে। গেচ ওৱেল্ডিংচেট বিলাক বজাৰ দৰ ১৩,৫০০ ৰ ঠাইত ১৯,৯৯৫ টকাত কিনিছে। সেইদৰে কেলকলেটিংমেচিন বিলাক (নেলকো আই, চি, ৯৯৫) ৩,০০০ টকাৰ ঠাইত ৫০০০ টকাত কিনিছে। নিবেদা আহবান নকৰাকৈয়েই জলসিঞ্চন বিভাগৰ চিফ ইঞ্জিনিয়াৰে মাৰ্চ্চৰ আগে কিনিছে। ৰাজহুৱা ধন এইদৰে খৰচ কৰাৰ অপৰাধত অকল বদলি কৰাটোকেই যদি শাস্তিমূলক ব্যৱস্থা বুলি ভৱা হয় তেতিয়াহলে, প্ৰকৃতভাৱে প্ৰগতিবাদী কাৰ্য্যসূচী সমূহ কেতিয়াও বাস্তৱত ৰূপায়ন কৰিব নোৱাৰিব।

শিক্ষা বিষয়া ত্ৰজৰ বিৰোদ্ধে যথেষ্ট আলোচনা হোৱাৰ মূৰত দিছপুৰৰ পৰা ডিফুলৈ বদলি কৰা হৈছে। 'দিছপুৰ' বদ আৰু 'ডিফু' বদ-ই আছে।

Mr. Deputy Speaker : Order, order. You will continue in the next Private members day. The House now stands adjourned till 10 a. m. on Monday the 29th May, 1978.

## ADJOURNMENT

The House then rose at 11-30 A. M. and stood adjourned till 10 a. m. on Monday, the 29th May, 1978.

Dated Dispur,
The 26th May, 1978

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

AGP. L.A.) 855/79—1250—6-9-80.